শ্ৰীদিলেশ্বৰ তাঁতী ঃ—মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে দিয়া ভাষণৰ ওপৰত আমাৰ বন্ধু শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই যিটো ধন্যবাদসূচক প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱটো সমৰ্থন কৰাৰ লগতে মই কেইষাৰ মান কবলৈ ওলাইছো। প্ৰথমতে অসমৰ দুখীয়া কৃষকসকলৰ উন্নতিৰ কাৰণে জনতা চৰকাৰে লোৱা দৃঢ় পদক্ষেপৰ বাবে মই নতুন জনতা চৰকাৰক অভিন্দন জনাইছো। বিশেষকৈ দুখীয়া খেতিয়ক উপকৃত হব পৰাকৈ দহ বিঘালৈকে মাটিৰ খাজনা মাফ দিয়াটো বৰ প্ৰশংসনীয় কাম হৈছে। ইয়াৰ উপৰিও ছাত্ৰী-ছাত্ৰী সকলক দশমমান শ্ৰেণীলৈকে বিনামাচুলে পঢ়াৰ ব্যৱস্থা কৰিছে এইটো নিশ্চয় প্ৰশংসনীয় কাম হৈছে। ইয়াৰ দ্বাৰা দুখীয়া আৰু পিচপৰা শ্ৰেণীৰ লোক সকলে ধনৰ কাৰণে শিক্ষাৰ ক্ষেত্ৰত পিচপৰি থাকিব লগীয়া নহব। চিকিৎসাৰ ক্ষেত্ৰত প্ৰেচক্ৰিপচন লিখাৰ কাৰণে থকা সামান্য অৰিহণা নাইকীয়া কৰা বাবে বৰ সন্তোষৰ কথা হৈছে। ইয়াৰ দ্বাৰা দুখীয়া সকলে চিকিৎসাৰ সুবিধা পাব পাৰিব।

বৰ্ত্তমান জনতা চৰকাৰে দুখীয়া মানুহৰ ক্ষেত্ৰত সেইটো কথা সহানুভূতি সহকাৰে চোৱা যেন অনুমান হৈছে । এই নতুন চৰকাৰে দুখীয়া গৰীব মানুহৰ সহায়ৰ কাৰণে যিবিলাক পদক্ষেপ বলিষ্ঠ আৰু সাহসিকতাৰে হাতত লৈছে তাৰ বাবে মই তেখেতসকলক অভিন্দন জনাইছো, কিয়নো আজি ইমান দিনে এই গৰীব দুখীয়া সকলৰ গৰীবি হাটাওৰ নামত নানাধৰণৰ শ্লোগান দি অহা হৈছিল । কিন্তু আজি পৰ্যন্ত কোনো কাৰ্য্যকৰী পদক্ষেপ হিচাবে আমি আগৰ কংগ্ৰেছ চৰকাৰে হাতত লোৱা নেদেখিলো । গতিকেই বৰ্ত্তমান চৰকাৰে যি ব্যৱস্থা হাতত লৈ আগবাঢ়িছে তাৰ বাবে চৰকাৰক প্ৰসংশা কৰিব লগীয়া। উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত আগতে কোনোদিনাখন আমি চাহ বাগিচাৰ শিক্ষাৰ বিষয়ে বা আন আন বিষয়কলৈ কোনো কথাই উল্লেখ কৰা দেখা পোৱা নাছিলো । কিন্তু বৰ্ত্তমান নতুন জনতা চৰকাৰৰ দিনত ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যাৰ বিষয়ে আৰু চাহ বাগিচাৰ নিবনুৱাৰ বিষয়ে আৰু অন্যান্য সমস্যা সম্পূৰ্ণভাৱে উল্লেখ নাথাকিলেও কিছু আংশিক ভাবে উল্লেখ থকা কাৰণে তেখেত সকলক ধন্যবাদ জনাইছো । নিবনুৱা সমস্যাৰ কথা উল্লেখ কৰি কও যে আমাৰ চাহ বাগিচা সমূহত অত বছৰে যিবিলাক কাৰ্য্যকলাপ দেখিলো তাত আচৰিত নহৈ নোৱাৰিছো। আৰম্ভণীতে তাত ৫ লাখ, চাৰে পাচ লাখ স্থায়ী নিবনুৱা আছিল আৰু এতিয়া বাগান বৃদ্ধি হৈছে কিন্তু স্থায়ী নিবনুৱাৰ সংখ্যা এই কংগ্ৰেছ চৰকাৰৰ দিনত ৩½ লাখ মানলৈ কমি গল । অথচ এই কংগ্ৰেছ চৰকাৰেই যোৱা ৩০ বছৰে এই চাহ বাগিচাৰ বনুৱাৰ ভোটৰ দ্বাৰাই শাসনৰ গাদীত অধিষ্ঠিত হৈছিল । কিন্তু আজিলৈকে তেওঁলোকে একেবাৰে নিৰ্বিকাৰ হৈ বহি আছিল । গতিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে বাগিচাৰ সীমাৰ কালি যথেষ্ঠ বৃদ্ধি পাইছে । সেইঅনুপাতে মজদুৰৰ সংখ্যাও বৃদ্ধি পাব লাগে । সেই ক্ষেত্ৰত যাতে বৰ্ত্তমানৰ শ্ৰম মন্ত্ৰীদপ্তৰে আগ্ৰহ লয় । তাৰোপৰি চাহ বাগিচাৰ বহুতো শিক্ষিত নিবনুৱা আছে তেওঁলোকৰ যোৱা তিনি পুৰুষ এই চাহ বাগিচাতেই পাৰ হৈ গল । তেওঁলোকৰ তিনি পুৰুষ বুকুৰ তেজ, ঘাম মাটিত পেলাই এই চাহ বাগিচাতে জীৱন কটাই আহিছে । কিন্তু আজি নিয়োগৰ ক্ষেত্ৰত চাহ বাগানৰ চাকৰিয়াল সকলৰ শিক্ষীত লৰা-ছোৱালীক সুবিধা নিদি অইন ঠাই বা বাহিৰৰ পৰা আনি চাহ বাগিচা সমূহত নিয়োগ কৰা হৈছে । কিন্তু আন কিছুমান এনেধৰণৰ কোম্পেনী আছে, যেনে এ, ও, চি, ইত্যাদি । এওলোকে তেওঁলোকৰ চাকৰিয়ালৰলৰা ছোৱালীবিলাকৰ আইডেনটিটি কাৰ্ডৰ যোগেদি নিয়োগ বিনিময় কেন্দ্ৰত ইনট্ৰোডিউচ্ছ কৰাৰ ব্যৱস্থা কৰে । আৰু সেই-দৰে সেই অনুষ্ঠানত যদি চাকৰি খালি হয় তেতিয়া তেওঁলোকই অথাৎ চাকৰিয়ালৰ সন্তান বিলাকে অগ্ৰাধিকাৰ পায় । কিন্তু আমাৰ চাহবাগিছা বিলাকত যিবিলাক চাকৰিয়ালৰ সন্তান আছে তেওঁলোকে কোনো সুবিধা পোৱা নাই, বাহিৰৰ পৰা অইনে সুবিধা লৈ লৈছে। গতিকে আমাৰ চাহবাগিছা বিলাকতো তেনে ধৰণৰ ইণ্ট্ৰডিউচ চিচটেমৰ ব্যৱস্থা কৰিব লাগে যাতে নিয়োগ বিনিময় কেন্দ্ৰয় চাহবাগিছাত চাকৰি ভৰ্ত্তি কৰাৰ ক্ষেত্ৰত চাহ-বাগিছাত চাকৰি কৰা চাহবিয়ালৰ সন্তান সকলক অগ্ৰাধিকাৰ দিয়ে । যোৱা ৩০ বছৰে এই কংগ্ৰেছ চৰকাৰেই চাহবাগিছাৰ মজদুৰ সকলৰ ভোটত জিকি শাসনৰ গাদীত বহি আছিল কিন্তু সেই কংগ্ৰেছ চৰকাৰেই এই চাহ বাগিছাৰ মজদুৰ সকলক নানা ভাবে বঞ্চিত কৰি আহিছে । উদাহৰণ স্বৰূপে এই চাহ বাগিছাৰ মজদুৰ সকলে বহু দিনৰে পৰা অসমৰ অনুসূচিত আৰু অনুসূচিত জনজাতিৰ তালিকাভুক্ত কৰি তেওঁলোকক ভাৰতীয় সংবিধা-নৰ সংবিধানিক অধিকাৰ দিয়াৰ কাৰণে আবেদন নিবেদন কৰি আহিছে আৰু আচুতীয়া সুবিধা দিয়াৰ কাৰণে অনুৰোধ জনাই আহিছে যিহেতু এই মজদুৰ সকল আগৰে পৰা পিচ-পৰি আহিছে কিন্তু এই কংগ্ৰেছ চৰকাৰে তেওঁলোকক যোৱা ৩০ বছৰে এই সাংবিধানিক সুবিধাৰ পৰা বঞ্চিত কৰিলে। অসম আৰু অন্যান্য ৰাজ্য সমূহৰ অনুসূচিত জাতি, জন-জাতি আৰু পিচপৰা জাতিসমূহ অৰ্থনৈতিক, সামাজিক, শিক্ষা, সাংস্কৃতিক আদি বিভিন্ন বিষয় সমূহৰ ওপৰত অধ্যয়ণ কৰি এই শ্ৰেণী সমূহৰ উন্নতিৰ কাৰণে বিভিন্ন

সময়ত চৰকাৰে কমিচনচ্ গঠণ কৰিছিল। এই কমিটি সমূহ যেনে পাতাৰকাচ কমিচন, চান্দা কমিচন, বৈবৰ কমিচন, লুকৰ কমিচন আদিয়ে পূৰ্ব্বতে বিভিন্ন সময়ত অসমৰ চাহ মজদুৰ সকলৰ নানাদিশৰ পিচপৰা অৱস্থাৰ কথা অধ্যয়ণ কৰি এই মানুহখিনিক অনুজাতি জাতি আৰু জনজাতিৰ তালিকাত তালিকাভূক্ত কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়াইছিল। তেতিয়া শাসন অধিষ্ঠীত অসমৰ কংগ্ৰেছী নেতা সকলে তাৰ প্ৰতিবাদ কৰিছিল। তেওঁলোকে এনে মত পোষণ কৰিছিল যে If these Tea Garden Tribes are included in the list of Scheduled Caste and Scheduled Tribe the future Poltical Picture of Assam will be jeopardised or disturbed. এনে ধৰণে বিৰোধীতা কৰি অসমৰ চাহমজদুৰ জনগোষ্টিয়ে ভৱিষ্যতে যাতে উন্নতি কৰিব নোৱাৰে তাৰ কাৰণে চাহ মজদুৰ সমাজৰ ককালত মাধমাৰ মাৰি ককাল ভাঙি থৈছে।

সেই কাৰণে নতুন জনতা চৰকাৰক মই আপোনাৰ জৰীয়তে অনুৰোধ কৰো যাতে এই চাহ বাগিছাৰ মজদুৰ সকলৰ কাৰণে ভাৰতীয় সংবিধান সৰ্লান কৰি হলেও তেওঁলোকৰ সা-সুবিধা কৰি দিয়াৰ ব্যৱস্হা কৰে। ইয়াৰ পাচত উপাধ্যক্ষ মহোদয়, আৰু এটা কথা কবলগীয়া আছে সেইটো হল, চাহ শিল্পৰ পৰা আমাৰ অসম তথা ভাৰত চৰকাৰে শতকৰা ৮০ ভাগৰ পৰা ৮৫ ভাগলৈ উৎপাদনৰ অংশ পায়। যোৱা ৩০ বছৰে দেখা গৈছে, কংগ্ৰেছী শাসকৰ মনোভাৱ এইটোৱেই আছিল যে তেওঁলোকে চাহবাগিছাৰ মজদুৰ সকলৰ ওপৰত বহুত বেচি গুৰুত্ব দিব কিন্তু তেওঁলোকৰ সা-সুবিধাৰ কাৰণে কোনো ধৰণৰ ব্যৱস্থা নকৰিলে বৰঞ্চ চাহমজদুৰ সকলৰ ওপৰত থকা চৰকাৰৰ দায়িত্ব খিনি বাগিছা কৰ্ত্তৃপক্ষৰ ওপৰত এৰি দি হাত সাৰিটি বহি থাকিল। গতিকে মই নতুন জনতা চৰকাৰক চাহ বাগিছাৰ মজদুৰ সকলক সামাজিক, অৰ্থনৈতিক আৰু অন্যান্য দিশত যিখিনি স্বাধীনতা দিব লাগে তাৰ বাবে বিভিন্ন ধৰণৰ আঁচনি যুগুত কৰিব লাগে। আৰু এই মজদুৰ সকলক জনগুষ্টিৰ পঞ্চায়তৰ ভিতৰত সামৰি লোৱাৰ ব্যৱস্হা কৰিব লাগে। পঞ্চায়তৰ ভিতৰত অন্তৰভূক্ত কৰিবৰ কাৰণে বহুদিনৰ পৰাই লাগি থকা হৈছে। কিন্তু চাহ বাগিছা বিলাকৰ ভিতৰত মজদুৰ সকলক পঞ্চায়তী নিৰ্ব্বাচনত ভাগ লবলৈ দিয়া নহল। পঞ্চায়ত অংশ গ্ৰহণ কৰাৰ সাংবিধানিক অধিকাৰৰ পৰা বঞ্চিত কৰি ৰাখিলে। সেই কাৰণে মই জনতা চৰকাৰক অনুৰোধ কৰো যাতে এই চাহ বাগিছাৰ মজদুৰ সকলক সাংবিধানিক অধিকাৰ দি পঞ্চায়তৰ অন্তৰ্ভূক্ত কৰি তেওঁলোকক সকলো ধৰণৰ সা-সুবিধা আগবঢ়োৱাৰ ব্যৱস্হা কৰে।

*শ্ৰীমতী আনোৱাৰা টাইমুৰ : উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত বিগত বছৰৰ বা যোৱা কেইবছৰৰ আগতে হবলগীয়া যিবিলাক সমাজ কল্যান মূলক আঁচনি আছিল সেই বিলাকৰ বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ থাকে। কিন্তু এই বাৰৰ ৰাজ্যপালৰ ভাষণত তেনে কোনো সমাজকল্যান মূলক আচনি নাই যি ৰাইজক আশাৰ সঞ্চাৰ কৰিব পাৰে। আজি অসমৰ ৰাইজে জনতা চৰকাৰক গ্ৰহণ কৰিছে। আৰু আমিও স্বীকাৰ কৰিছো। জনতা পাৰ্টিয়ে ক্ষমতা লাভ কৰি কৰ্ত্তব্য পালন কৰিব আৰু এনেকুৱা আঁচনি ৰাইজৰ আগত ৰাখিব যাৰ দ্বাৰা অসমৰ ৰাইজে আশাৰ ৰেঙণি দেখিব। সেইদৰে ৰাজ্যপালৰ ভাষণতো ৰাজনৈতিক দৃষ্টি ভঙ্গীৰে দুখীয়া ৰাইজৰ দৈনন্দিন জীৱনৰ সামগ্ৰীকে লৈ স্পষ্ট নহলেও অন্ততঃ কিছু পৰিমানৰ প্ৰতিশ্ৰুতিৰ উল্লেখ থাকিব লাগিব। কিন্তু বৰ্ত্তমান ৰাজ্যপালৰ ভাষণত উল্লাসিত হোৱা কথা একোৱেই নাই। মই যোৱা নিৰ্ব্বাচনত দেখিছো সকলো দলৰ পৰাই ৰাইজে সদস্য সকলক নিৰ্বাচিত কৰি পঠিয়াইছে, সেই বুলি জনতা দলে একক গৰীষ্টদল হৈ নিৰ্ব্বাচিত হৈ আহিব পৰা নাই। আনৰ পৰা টনা আজোৰাকৰিহে চৰকাৰ গঠন কৰিছে।

বৰ্ত্তমান জনতা চৰকাৰৰ বৰবৰা ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈছে আৰু এই সদনৰে কেইবাটাও টাৰ্মটো অভিজ্ঞতাসম্পন্ন শ্ৰীদুলাল বৰুৱাও সেই মন্ত্ৰী সভাত আছে। ৰাইজে

* Speech not Corrected.

তেখেতৰ পৰা বহুত আশা কৰিছে। আশা কৰো ৰাইজৰ আশানুৰূপ পৰ্য্যায়ৰ কাম তেখেত সকলে কৰিব। মই এইখিখিনিতে এটা কথা উল্লেখ কৰিব খুজিছো যে আমাৰ বহুতো মাননীয় সদস্যই এই সদনৰ বিগত ত্ৰিশ বছৰীয়া কংগ্ৰেছ শাসনৰ কথা উল্লেখ কৰিছে আৰু বহুতো সমালোচনাও কৰিছে। এইখিনিতেই মই অনুভৱ কৰো যে বৰ্ত্তমান কেন্দ্ৰীয় জনতা চৰকাৰৰ ভাৰপ্ৰাপ্ত শ্ৰীদেশায়ো কংগ্ৰেছৰেই মানুহ আছিল। আৰু তেখেতে কেইবাবছৰো উপপ্ৰধানমন্ত্ৰী হিচাবেও কাম চলাইছিল আৰু নানা কেপাচিটিত প্ৰায় বিশ বছৰ মন্ত্ৰী পদত অধিষ্ঠিত আছিল। তেখেতৰ নেতৃত্বতে বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰ চলিছে। এই কথা আমি পাহৰি যোৱা উচিত নহয়। ইমাৰ্জেন্সিৰ বিষয়ে বহু কথাৰেই অৱতাৰণা কৰিছে কিন্তু সেই জৰুৰীকালীন অৱস্হাতে শ্ৰীজগজীৱন ৰাম আৰু শ্ৰীবহুগুনা যি সকল বৰ্ত্তমান জনতা কেন্দ্ৰীয় মন্ত্ৰী সভাৰ সদস্য তেওঁলোকে এই জৰুৰীকালীন অৱস্হাতো সমৰ্থন কৰিছিল। অকল সমৰ্থন কৰাই নহয় তেখেত সকলৰ মত এয়ে আছিল যে জৰুৰীকালীন অৱস্হাতো ৰাইজৰ বহুত উপকাৰ সাধিছে আৰু কিছুদিন আগৰে পৰা হলে আৰু বেছি ভাল হলহেতেন।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— মাননীয় সদস্যাৰ জ্ঞাতাৰ্থে মই জনাব খোজো যে শ্ৰীজগজীৱন ৰাম যেতিয়া ইন্দিৰা মন্ত্ৰী সভাৰ পৰা ওলাই আহে তেতিয়া তেওঁ এটা দীৰ্ঘনিস্বাস কাঢ়িছিল আৰু কৈছিল যে আজিহেইহে সুখেৰে এটা নিস্বাস কাঢ়িছো। দেশৰ এই অৱস্হাটোত যেন উশাহ বন্ধ হৈ গৈছিল ।

চৈয়দা আনোৱাৰা টাইমুৰ ঃ—আগত যি ৰেডিড কংগ্ৰেছ আছিল বৰ্ত্তমানে আৰশ্যে শ্বৰণ সিং ডাঙৰীয়া সভাপতি হৈছে কিন্তু তেখেতসকলে ইমাৰজেন্সি সমৰ্থন কৰা নাছিল নেকি ? (গোলমাল)

Mr. Chairman :—I request the hon. members not to intrrupt.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—মই তেখেতক কোনো বাধা দিয়া নাই । কিন্তু বিধান সভাত সত্যৰ অপলাপ কৰিব নালাগে সেই কথাখিনিহে কৈছো।

চৈয়দা আনোৱাৰা টাইমুৰ ঃ—মাননীয় সদস্য সকলে তেখেতসকল বিৰোধী দলৰ হলেও যেতিয়া এই সদনত কোনো এটা বিষয় আলোচনা বা সমালোচনা কৰা হয় সেইটো বাধা দিয়া উচিত নহয় সিদিনা ভূতপূৰ্ব্ব মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই কথা কওঁতে মাননীয় সদস্যসকলে বহুতো বাধাৰ সৃষ্টি কৰিছিল । মই অৱশ্যে তেখেতক সমৰ্থন কৰা নাই কিন্তু বিৰোধী দলৰ সদস্যসকলে কোৱা কথাখিনিও ধৈৰ্য্যৰে শুনিব লাগে। যিহওক আমাৰ ৰাইজে ভাবিছিল যে দিনে দিনে আৱশ্যকীয় বস্তুৰ দাম ওপৰলৈ উঠি গৈছে আৰু জনতা চৰকাৰে নিত্য প্ৰয়োজনী বস্তুৰ দাম হ্ৰাস কৰিব । এতিয়া জনসাধাৰণ হতাশ হৈছে কাৰণ বৰ্ত্তমান জনতা চৰকাৰে যি খাদ্য নীতি অৱলম্বন কৰিছে তাৰ দ্বাৰা যে অদুৰ ভৱিষ্যতে এই বস্তু বিলাকৰ দাম নিম্নগামী হব তাৰ কোনো আভাস নাই । এই খিনিতে মই কব পাৰো যে এই বস্তু বিলাকৰ দাম কন্ট্ৰল কৰাও সম্ভৱ নহব । যদি কৰে সেইটোৰ পৰিমাণ ভালতকৈ বেয়াহে হব । আজি মিঠাতেল চাউল ডাইলৰ দাম ইমান উঠিল যে সাধাৰণ মানুহে সেই বস্তু বিলাক বাদ দিবলগীয়া হৈছে ।

(ভইচ ঃ চেনীৰ দামৰ কথা নকয় কিয়)

চাউলৰ দাম আগতে কিছু কমি আছিল কিন্তু জনতা চৰকাৰ অহাৰ লগে লগে তাৰ দামো কিছু পৰিমাণে বৃদ্ধি পালে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—কংগ্ৰেছ চৰকাৰৰ দিনত চাৰে চাৰি টকাত চাউল খোৱাও মনত আছে ।

(ভইচ :—মিঠাতেলৰ দাম কমিছে নহয়)

(ভইচ :—তামোলৰ দাম বাঢ়িছে কাৰণ ভূতপূৰ্ব্ব সদস্য হৰেণ তালুকদাৰৰ সভাপতিত্বত বহা এখন সভা কৰাৰ পিচত তামোলৰ দাম পাচ পইচাৰ পৰা দহ পইচা হৈছে ।)

(গোলমাল)

*শ্ৰীচৈয়দা আনোৱাৰা টাইমুৰ :—বাৰু যিয়েই হওক মই নোহোৱা কথা কোৱা নাই। কেন্দ্ৰত জনতা চৰকাৰ গঠন হোৱাৰ পিচত প্ৰধান মন্ত্ৰীয়ে জনাইছিল যে দহ বছৰৰ ভিতৰত দেশৰ নিবনুৱা সমস্যা সমাধান কৰিব । আজি কেন্দ্ৰীয় চৰকাৰ ক্ষমতাত অধিষ্ঠিত হোৱাৰ এবছৰ হল। সেই অনুপাতে নিবনুৱা সমস্যা দহ ভাগৰ এক অংশ নহলেও বিশ ভাগৰ এক অংশ সমাধান হব লাগিছিল । কিন্তু বাস্তাৱ ক্ষেত্ৰত আমি দেখিছো সকলো পিনে ৰাজনৈতিক আৰু অৰ্থনৈতিক অনিশ্চয়তাৰ এটা আভাস ফুটি উঠিছে । আৰু তাৰ ফলত খাদ্যদ্ৰব্যৰ মূল্য দিনে দিনে চৰি গৈছে । সেই কাৰণে যোৱা সাধাৰণ নিৰ্ব্বাচনত তিনিখনো বৃহৎ ৰাজ্যত জনতাই মন্ত্ৰী সভা গঠন কৰিব নোৱাৰিলে আৰু বৰ্ত্তমানে যি বতাহ বলিছে তাৰ পৰাও অনুমান কৰিব পাৰি যে ভাৰতবৰ্ষৰ ৰাইজে ভৱিষ্যতে কি হব তাকো দেখুৱাব । মোৰ অনুৰোধ হল বৰ্ত্তমান চৰকাৰে নিজৰ দায়িত্ব বোজাই ৰাখি সেই হিচাবে ৰাইজৰ উপকাৰৰ অৰ্থে কাম কৰিব বুলিয়েই আশা ৰাখিছো ।

(গোলমাল)

ৰাজ্যপালৰ ভাষণত ভূমি সংস্কাৰ আদি সম্পৰ্কে কিছু উল্লেখ থকা দৰকাৰ আছিল। তাত মাত্ৰ দহ বিঘাকৈ মাটিৰ খাজনা ৰেহাই দিয়াৰ কথাটোহে চমুকৈ উল্লেখ কৰিছে। ৰাইজে বিচাৰে দুবেলা দুমুঠি পেট ভৰাই ভালকৈ খাবলৈ। দহ বিঘা মাটিৰ খাজনা মাফ দিলেই তেওঁলোকে নাভাবে যে তেওঁলোকৰ দুবেলা দুমুঠি আহাৰ সংগ্ৰহ হব। দহ বিঘা মাটিৰ খাজনা হয়তো বছৰত বেছি হলে দহ টকা হব। এজনী মুগী বা দুটা হাঁহ বেচিলেই সেই খাজনা খিনি শোধাব পাৰিব। যি খিনি কৰিলে তেওঁলোকে বছৰটোত দুবেলা দুমুঠি সুখ কৰি খোৱাৰ সহাৰি পালে ৰাইজ বহুতো উপকৃত হলহেতেন। তাকে নকৰি দহ বিঘা মাটিৰ খাজনা ৰেহাই দিছে আৰু এই ৰেহাই দিওঁতেও কিমান বিলৈ বিপত্তি ঘটে তাৰ অন্ত নাই। ইয়াৰ লগত বহুতো অনুসঙ্গিক কথাও আছে। গতিকে সহজে যে আমাৰ ৰাজহ মন্ত্ৰীয়ে এইটো কাৰ্য্যকৰী কৰিব পাৰিব তাৰ আশা নাই। দহ বিঘা মাটি মালিকৰ পৰা যেতিয়া আন এজনে এটা অংশ মাটি কিনিলয় তেওঁ পট্টাখন আনিব নোৱাৰে। পট্টাখন মালিকৰ হাততেই থাকে। গতিকে ৰেহাই দিবলৈ কাৰ কিমান মাটি থাকে সেইটো নিৰ্ণয় কৰাও টান হব। পঞ্চায়ত আইনত ফাকি দিয়াৰ ব্যৱস্থা আছিল। ঠিক তেনেকৈ এতিয়া দহ বিঘা মাটিৰ খাজনা ৰেহাই দিওঁতে কাক কিমান ৰেহাই দিবলগীয়া হয় তাৰ অন্ত নহব। সকলোৱেই ৰেহাই পাবলৈ চেষ্টা কৰিব। গতিকে ৰেহাই দিয়াৰ আগতে আমাৰ যিখন ৰেভিনিউ মেনুৱেল আছে সেইখন শুধৰণী আগতেই কৰিব লাগিছিল। আজি অনুসূচীত লোকসকলৰ ওপৰত চাৰিওপিনে অত্যাচাৰ চলিছে। মাননীয় সদস্য সকলে বিহাৰৰ ঘটনা জানে ।

* Speech not corrected

গণতান্ত্রিক দেশ এখনত এদল যাব এদল আহিব কিন্তু এটা দল অহাৰ পিচত আনটোদলে যাতে কেতিয়াও ৰাইজৰ সমৰ্থন পাব নোৱাৰে তাৰ কাৰণে চাহ কমিচনৰ উৎভৱ, ৰেডিও খবৰৰ কাগজ আৰু টেলিভিচনত ৰাজনৈতিক উদ্দেশ্য সাধনৰ যিটো স্বাৰ্থত চৰকাৰ চলে তাক ৰাইজে নিশ্চয় বৰ্জিব। আমাৰ সন্মানিত সদস্য সকলে ইন্দিৰা গান্ধী সমৰ্থিত মাত্ৰ ৮ জন সদস্যহে নিৰ্ব্বাচনত জয়ীহৈ আহিছে বুলি উল্লেখ কৰিছে। কিন্তু মই তেখেত সকলৰ অবগতিৰ কাৰণে জনাব বিছাৰিছো এই ৮ জননো কোন আছিল? এই ৮ জনৰ ভিতৰৰ ৩ জন আহিছে মজদুৰৰ পৰা, বাগানৰ মালিকক হৰুৱাই আহিছে। জনতা পাৰ্টিয়ে সোনাৰীত শ্ৰীজানকী সন্দিকৈক দিছিলে কিন্তু তেওঁক পৰাজয় কৰি এজন সাধাৰণ বনুৱানেতা শ্ৰীসত্য তাঁতী আহিছে আৰু ৩ জন আহিছে অৰ্থনৈতিক দিশত দুৰ্ব্বল মাইনৰিটি কমিউনিটিৰ পৰা।

(সদনত হুলস্থুল পৰিবেশ, কেবাজনেও কবলৈ উঠে)

শ্ৰীএ এন আক্ৰাম হুচেইন :— আনৰ গালৈ বোকা দলিয়ালে নিজৰ গাতো লাগে সেইটো মনত ৰখা উচিত।

* শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ:-এই ৮ গৰাকীৰ ভিতৰত মহিলা প্ৰাৰ্থীও আছে। অনুসূচীত জাতি আৰু মজদুৰ সকলৰো এই পাৰ্টিৰ প্ৰতি সমৰ্থন আছে। এইবাৰ অসমৰ ৰাইজে তেওঁলোকৰ আস্হা সহকাৰে চৰকাৰ গঠণ কৰিছে তাক আমিও সম্ভাষণ জনাইছো আৰু ভাল কামত সহযোগিতাও কৰিম। সেই বিশ্বাসৰে কেন্দ্ৰত চৰকাৰ গঠণ কৰিলে কিন্তু আজি এবছৰে তেওঁলোকে মাত্ৰ সঞ্জয় গান্ধী আৰু ইন্দিৰা গান্ধীৰ কাৰণে শ্বাহ কমিচন কৰিয়ে কটালে কোনো ভাল আঁচনি ৰাইজৰ আগত দাঙি ধৰিব নোৱাৰিলে। যাৰ কাৰণে হৈ যোৱা নিৰ্ব্বাচনত তিনিখন ডাঙৰ প্ৰদেশত জনতা পাৰ্টিয়ে চৰকাৰ গঠণ কৰিব নোৱাৰিলে। অসমত কৰিছে আমি বেয়া পোৱা নাই। কিন্তু এই চৰকাৰেও এই কৰ্ম্মচাৰী সকলক লৈয়ে তেওঁলোকৰ কাম চলাব লাগিব আৰু তেওঁলোকেও সহযোগ কৰিব লাগিব। ময়ো এনেকুৱা ধৰণৰ বহুত কথাতেই সিংহ চৰকাৰৰ পৰা পদত্যাগ কৰি ৰাইজৰ সেৱা কৰিবলৈ নিৰ্ব্বাচিত হৈ আহিছো আৰু ঠিক তেনেকৈ আন আন সদস্য সকলো আহিছে।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে পুলিচ বিভাগৰ দোষাৰোপ সম্পৰ্কে কৈ গৈছে। মই কব বিছাৰিছো এই পুলিচ বিভাগত কোন বিলাক লোক আছে, অসমৰ মানুহেই আছে আমাৰ ভাই ভতিজাই কাম কৰিছে। গতিকে গঠণ মূলক দৃষ্টিভঙ্গিৰে ৰছনা কৰিব লাগে। আমাৰ মূখ্যমন্ত্ৰী মহোদয়ৰ হাততে এই দায়িত্ব আছে গতিকে সুন্দৰ দিহা পৰামৰ্শ দিহে এই বিভাগটো বলক কৰিব লাগিব। এই বিষয়া সকল স্বৰ্বিমলা প্ৰসাদ চলিহা থাকোতেও আছিল, মহেন্দ্ৰ চৌধুৰী থাকোতেও আছিল, সিংহৰ দিনতো কৰিলে আৰু এতিয়াও কৰিব লাগিব। (সময়ৰ সংকেট) কিন্তু তাৰ ভিতৰতে সমন্বয় ৰক্ষা কৰি বিভিন্ন দপ্তৰত থকা মন্ত্ৰী সকলৰ লগত সহযোগ কৰি কাম কৰি গলে ৰাইজৰ নিশ্চয় সহায় হব।

তাৰ পিচত আমাৰ মাননীয় মন্ত্ৰী মহোদয় শ্ৰীদুলাল চন্দ্ৰ বৰুৱা যেতিয়া এইফালে আছিল তেতিয়া ৰাজধানীৰ কথা কৈ খুব চিঞৰ বাখৰ কৰিছিল কিন্তু ৰাজ্যপালৰ ভাষণত স্হায়ী ৰাজধানী সম্পৰ্কে কোনো কথাৰে উল্লেখ নাই। ৰাজধানী কত হব এই বিষয়ে জনতা চৰকাৰে কিবা ইঙ্গিত দিব বুলি ভাবিছিলো।

*Speech not corrected.

তাৰ পিচত আমাৰ যি সকল পিটি চিৰ বন্ধু আছে তেওঁলোকে সদায়ে উদায়াচল দাবী কৰি আহিছে অথচ আমি বিছাৰো ভৈয়ামৰ জনজাতি সকলৰ লগত এক। যি পিটি চিয়ে অসমত লাগিলে কল্যানকামী আঁচনিয়ে নালাগে লাগে মাত্র বেলেগ ৰাজ্য উদয়াচল তেওঁলোকৰ লগত জনতা পাৰ্টিয়ে লগ হৈ তেওঁলোকক মন্ত্রীত্বৰো স্হান দিছে তাৰমানে উদয়াচল মানি লৈছে নেকি? নে উদয়াচলৰ দাবী উঠাই লৈছে সেই সম্পৰ্কে এটা স্পষ্ট জবাব চৰকাৰৰ পৰা পাম বুলি আশা কৰিলো। এই কথাটোত অসমৰ ৰাইজ সন্দিহান হৈ আছে। জনতা চৰকাৰক অসমৰ জনসাধাৰণে যি আশাৰে প্রতিষ্ঠিত কৰিছে সেই আশা পূৰণ কৰক, দৰিদ্রৰ সীমাৰেখা তললৈ আনক, সমস্যা বিলাক সমাধান কৰক কিন্তু ৰাজ্যপালৰ ভাষণত তাৰ কোনো ৰেঙনি নেদেখিলো। অৱশ্যে ততাতৈয়াকৈ ৰাজ্যপালৰ ভাষণ আনিব' লগীয়া হোৱা কাৰণেই হয়তো সকলোখিনি উত্থাপন কৰিব পৰা নাই। আমি আশা ৰাখিছো গণতান্ত্রিক দেশ এখনত এদল যোৱাৰ পিচত যিহেতু অন্য এটা দল ক্ষমতাত আহিছে তেওঁলোকে আশাৰ ৰেঙনি দিব আৰু বয়বস্তুৰ মূল্য বৃদ্ধি ৰোধ কৰিব পাৰিব। কিন্তু সেইটো নকৰিলে ৩ খন ৰাজ্যৰ অৱস্হাই অবস্হা হব। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্রীগিয়াচুদ্দিন আহমেদঃ উপাধ্যক্ষ মহোদয়, মই এটা কথা মাজতে কব খুজিছো। সময় আমি অতিৰিক্ত লৈছো হয়, আমাৰ মাজত আৰু নতুন সদস্য বৈছি নাই। গতিকে পাঁচ মিনিটকৈ দিয়া হলে ভাল হলহেঁতেন। এটা কথা আছে—"জাহা বাৰুন তাহা তেপন্ন"।

শ্রীপঞ্চানন ব্রহ্মঃ উপাধ্যক্ষ মহোদয়, বন্ধুবৰ শ্রীনৰেণ শৰ্ম্মা ডাঙৰীয়াই ৰাজ্য-পালৰ ভাষণৰ ওপৰত যি প্রস্তাৱ দাঙি ধৰিছে তাক মই সমৰ্থন কৰিছো।

কংগ্রেছৰ দিনত ট্রাইবেল আৰু নন ট্রাইবেলৰ মাজত যি প্রভেদ সেই প্রভেদ নোহোৱা কৰিবৰ কাৰণে জনতা চৰকাৰে যি আঁচনি ললে তাৰ বাবে মই সম্পূৰ্ণ সমৰ্থন আগ বঢ়াইছো।

উপাধ্যক্ষ মহোদয়, মই বৰো মানুহ। বৰো ভাষাত কব পৰা হলে মই ভালকৈ কব পাৰিলোহেঁতেন। মই জাতত বৰো, মাতত বৰো, কথাত বৰো, গায়ে—মূৰে, বুকুৰে—পিঠিয়ে বৰো। মোৰ আয়ে যতে মোৰ্কচুমা খাইছিল সেই সকলোৰে, জেগাই কয়—" তই বৰো, তই বৰো।সেই কাৰণে মই প্রথমতে বৰো শিকিলো তাৰ পিচত অস-মীয়া শিকিছো। ৰাজ্য পালৰ ভাষণত আইন আৰু শৃংখলাৰ শিতানত লিখা আছে যে ছাত্র কৰ্ম্মচাৰী সন্হা আৰু ট্রেড ইউনিয়নে চলোৱা আন্দোলনে যোৱা বছৰ গুৰুত্বৰ সম-স্যাৰ সৃষ্টি কৰিছিল আৰু তাক সুস্হ আলোচনাৰ মাধ্যমেৰে সমাধান কৰা হৈছে। এইটো মই ঠিকেই পাইছো, কিন্তু তাৰ উপৰিও বহুতো সমস্যা অসমাধিত অৱস্হাতেই থাকিল বুলি মোৰ বিবেচনাৰে মই কব খোজোঁ ১৯৭৪ চনত যেতিয়া ৰোমাণ লিপি দাবী কৰি বৰো ভাই সকলে আন্দোলন কৰিছিল সেই সংক্রান্তত যিবোৰ গ্রেপ্তাৰীকেচ চলিছিল সেই বিলাক এতিয়াও নিস্পত্তি নোহোৱাকৈ আছে। ভুবনেশ্বৰ নাজাৰী হত্যা সংক্রান্তত পি-টি-চিৰ কৰ্ম্মী কিছুমানক লিপ্ত কৰাৰ কেচ চলি আছে। মিচাত আটক হোৱা পি-টি-চিৰ কৰ্ম্মীসকলক এলাউন্স এতিয়ালৈকে দিয়া হোৱা নাই। জৰুৰীকালিন অৱস্হাত যিসকল কংগ্রেছী কৰ্ম্মীয়ে গা ৰক্ষী লৈছিল সেইসকলক কৰ পৰা বেতন দিয়া হৈছিল? ৰাইজৰ টকাৰে নে আন বেলেগ ফান্ডৰ পৰা দিয়া হৈছিল তাক আম নাজানো।

উপাধ্যক্ষ মহোদয়,ইতিমধ্যে বহুত সদস্যই কংগ্ৰেছক গালি দি গৈছে সেইবাবে মই আৰু কংগ্ৰেছক গালি দিব খোজা নাই। আমাৰ ট্ৰাইবেল সকলৰ বাবে কংগ্ৰেছে বহুতো ভাল কামেই কৰি গৈছে। কংগ্ৰেছে আমাক সংবিধান দিছে, সংবিধানৰ জৰিয়তে বহুত সা-সুবিধা দিছে। কিন্তু আমাৰ ট্ৰাইবেল সকলে যি সাংবিধানিক অধিকাৰ পাইছে সেই-খিনি গ্ৰহণ কৰিব নোৱাৰাটো আমাৰেই কপালৰ দোষ বুলিব পাৰি। কংগ্ৰেছ চৰকাৰে হিল ট্ৰাইবেল আৰু প্লেইন ট্ৰাইবেলৰ মাজত পৃথকতা আনিলে। হিলত বসবাস কৰা ট্ৰাইবেল সকলে প্লেইন ট্ৰাইব হব নোৱাৰে আৰু প্লেইনচত বসবাস কৰা ট্ৰাইবেল সকলে হিললৈ আহি হিল ট্ৰাইব হব নোৱাৰে। মাটি অৰিু চাকৰিৰ সংৰক্ষণৰ বাবে কংগ্ৰেছী চৰকাৰে অনেক ভাল কাম কৰিছিল। ইয়াৰ বাহিৰেও অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত যি সাংবিধানিক অধিকাৰ দি গল সেই খিনি লব নোৱাৰাটো আমাৰ অদৃ-ষ্টৰেই পৰিহাস বুলিব পাৰি। পি, টি, চৰ সম্পৰ্কত ১৯৬৭ চনত জাকিৰ হুচে-ইন যেতিয়া ভাৰতৰ ৰাষ্ট্ৰপতি আছিল তেতিয়া তেওঁক এখন মেম'ৰেন দাম দিয়া হৈছিল। সেইখন চালে তাঁত কি লিখা আছিল আপেনালোকে দেখিবলৈ পাব। ইয়াৰ পিচতেই আমাৰ ট্ৰাইবেলৰ ওপৰত যিটো হেচাঁ পৰিছে সেইটোৰ বাবে চৰকাৰ আৰু নেতা সকলে কি বুজিছে মই নাজানো। কিন্তু এইটো মোৰ মনে ধৰে যে তেওলোকে ভাবিছিলে যে ট্ৰাইবেল সকলক ধংশ কৰিব লাগে। তেতিয়া হলে পি, টি, চিৰ, পৰা আৰু কোনো দাবী নাহিব। সচাঁ কথা আমি ট্ৰাইবেল হৈ জন্ম গ্ৰহণ কৰাটোৰেই যেন দোষৰ কথা হল, কাৰণ এইটো এটা অবহেলিত জাতি। ১৯৬৮ চনৰ ২২ মেইত আমাৰ দাবীবোৰ পুৰণ কৰিবৰ বাবে গনতান্ত্ৰিক পদ্ধতিৰে এটা প্ৰচেচন আমি ৰাহিৰ কৰিছিলো। অসমৰ কংগ্ৰেছী চৰকাৰে লাঠিৰে সকলোকে বহুৰাই ৰাখিলে। ৰাইফলৰ গুলিৰে প্ৰথমবাৰৰ বাবে ট্ৰাইবেল ভূমিত ট্ৰাইবেলৰ তেজ বোৱালে।

তাৰ পিচত, মই আহিছো জৰুৰীকালিন অৱস্থাৰ কথালৈ। জৰুৰীকালীন অৱস্থাৰ সন্দৰ্ভত অনেক লোকৰ লগতে মোৰ লৰাটোকো আটক কৰি নি ধুবুৰীৰ জেলত থলেগৈ। তাৰ পিচত দুজন ভাইকো নিলে। মই এই আটক হৈ জেলত থকা মোৰ লৰা আৰু ভাইহতৰ খবৰ কৰিবলৈ জেললৈ গৈ থকা দেখা পাই শেষত মোকো নি জেলত ভৰাই থলেগৈ। অৰ্থাৎ তেওঁলোকক গৈ দেখা কৰাৰ দুখৰ ওৰ পেলাই দিলে। বঙ্গাই গাঁৱৰ শোধনাগাৰত যি সকল কৰ্মীয়ে দিন হাজিৰা খাটে তেওঁলোকৰ ভিতৰত মহিলা সকলৰ পাৰিশ্ৰমিক দিনে তিনি টকা আৰু পুৰুষ সকলক দিনে চাৰি টকা মঞ্জুৰী দিয়ে। তেওঁলোকক মিনিমাম উৱেজ বনাচ আদি যি দিয়াৰ কথা আছিল সেই বিলাক দিয়া হোৱা নাই। কাৰণ তেওঁলোকে কংগ্ৰেছৰ তলত মজদুৰ হৈ জন্ম গ্ৰহল কৰিছে সেই কাৰণে সেইটো তেওঁ-লোকৰ প্ৰাপ্য। আমাৰ শ্ৰী শৰত চন্দ্ৰ সিংহ ডাঙৰীয়া মুখ্য মন্ত্ৰী হৈ থকা সময়তে তেতিয়া এবাৰ বঙ্গাইগাঁৱলৈ গৈছিল। তাতগৈ তেখেতে ৰিফাইনাৰি আৰু পেট্ৰকেমিকেল কমপ্লেক্সৰ অফিচাৰ সকলৰ লগত ভোজ ভাত খাই আহিল। কিন্তু কাম একো নহল।

অলপতে বঙ্গাইগাওঁ বিফাইনাৰীত কেৰাণীৰ কাৰণে বি, এচচি লাগে বুলি জাননী দিছিল। কিন্ও আমি জানো যে সকলো অফিচতে মেট্ৰিকুলেটেই অফিচৰ কেৰা-ণীৰ কাম চলাই আছে। তেনেস্হলত বঙ্গাইগাঁও ৰিফাইনাৰীৰ কাৰণে বি, এচ, চি, কিয় লগা হল আমি কব নোৱাৰো। উপাধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে উদ্যোগ-মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ উপৰিও তাত চতুৰ্থ শ্ৰেণীৰ মানুহৰ আৱশ্যক হোৱাত এমপ্লয়মেণ্ট একচেঞ্জৰ যোগেদি দৰখাস্ত আহবান নকৰি ডাইৰেক্টলি দৰখাস্ত

আহবান কৰিছে। এইটো কৰাৰ কাৰণে বোধহয় বাহিৰৰ পৰ মানুহ নিযুক্তি দিব। ইয়াৰ কাৰণেও বিহিত ব্যৱস্থা কৰিবলৈ মই উদ্যোগ মন্ত্ৰীক অনুৰোধ জনালো। লগতে তাত যিটো চেন্ট্ৰেল স্কুল আছে তাত স্থানীয় মানুহৰ লৰা-ছোৱালী পঢ়িবলৈ সুবিধা নাপায়। এই ক্ষেত্ৰটো চৰকাৰৰ তৰফৰ পৰা উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিলো।

পৰিকল্পনা শিতানত কব খুজিছো যে প্ৰত্যেক বছৰে পৰিকল্পনাৰ নামত ট্ৰাইবেলৰ উন্নয়নৰ কাৰণে বহুত টকা আনে। অথচ ট্ৰাইবেলৰ উন্নয়নৰ কাম একোৱে কৰা নহয়। একো নকৰাকৈ টকা বিলাক ফিৰাই দিয়ে। এইদৰে ট্ৰাইবেল সকলক অনুন্নত কৰি ৰখা হৈছে। গতিকে যিবিলাক টকা আনে সেইবিলাকৰ সদব্যৱহাৰ কৰিব লাগে, উন্নয়ন কামবিলাক যাতে কেৱল কাগজতেই নাথাকে বাস্তৱত পৰিণত হয়। ইয়াৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো।

কৃষিৰ শিতানত মই কব বিছাৰিছো যে কাজল গাঁওত যিখন ফাৰ্মিং কৰ্পোৰেচন আছে, সেইখনত প্ৰায় ৬০/৭০ ঘৰ মানুহে নিগমৰ ভিতৰত কাম কৰিবলৈ লৈছে। প্ৰত্যেককেই ৮ বিঘাকৈ মাটি দি। কিন্তু আজি তেওঁলোকৰ অৱস্থা ইমান বেয়া হৈছে যে তেওঁলোকৰ ঘৰৰ ফালে চাবলৈ লাজ লাগে কিজানিবা তেওঁলোকৰ ফালে চালে নঙঠা তিৰোতা মানুহজনীক দেখা পাঁও। এইবিলাক মাটিত খেতি-বাতি কৰিব নোৱাৰাৰ কাৰণে আধি দি তাৰ পৰা যি লাভ হয় তাক চা-এগ্ৰিকালচাৰ অফিচাৰজনে খাই আছে। চিৰাঙ আৰু বিজনীত এডিচনেল চাৱডিভিজনেল এগ্ৰিকালচাৰেল অফিচটো কৰাৰ কাৰণে যিটো সিদ্ধান্ত লৈছিল মৃত্যুাৰাম আৰু আন আন নেতাসকলে সেইটো পি, টি, চি অঞ্চল বুলি তাৰ পৰা উঠাই নি মানিকপুৰত পতাৰ সিদ্ধান্ত কৰিলে। অৱশ্যে এতিয়াও কাৰ্য্যকৰী হোৱা নাই। মোৰ সমষ্টিত টাঙ্গাই বান্ধ আৰু ডোংটোৰ কাম আজি বহুদিন ধৰি পৰি আছে। এই কাম অতি সোনকালে কৰি দিব পাৰিলে ২০/২৫ খন গাঁওৰ মানুহৰ উপকাৰ হব।

মই বনাঞ্চলৰ সম্পৰ্কত কব বিচাৰিছো যে লংচং, আমটিহা, পানবাৰী, গহপুৰ, দৈয়াং আদিত আমাৰ ভূমিহীন ট্ৰাইবেল অনা ট্ৰাইবেল সকলো মানুহেই খাই আছিল। তাঁত কিছুমান ফৰেষ্ট ভিলেজো আছিল। কিন্তু কংগ্ৰেছ চৰকাৰে এইবোৰক তাৰ পৰা উচ্ছেদ কৰিলে।

**Mr. DEPUTY SPEAKER :** Hon'ble member has Spoken two minutes more than the alloted time.

**শ্ৰীপঞ্চানন ব্ৰহ্ম** ঃ—মোক দুই মিনিট সময় দিয়ক। পানবাৰীত ১৯৭১ চনতে ৫০০ বিঘা মাটি দিজাৰভেচন কৰাৰ সিদ্ধান্ত লৈছিল কিন্তু ১৯৭৬ চনত তেওঁলোকে আকৌ উচ্ছেদ কৰি কুকুৰ মেকুৰীৰ নিচিনা অৱস্থা কৰিলে। তাৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিব বুলি আমাৰ বিশ্বাস। মই এনেকুৱা এটা সুন্দৰ সমষ্টিৰ পৰা আহিছো যত (চিৰাঙ সমষ্টি) ৭২ হাজাৰ ভোটাৰ থকাতো তাৰ ভিতৰত এখনো কলেজ নাই মাত্ৰ ২ খন ডেফিচিট হাইস্কুল আছে বাকী বিলাক ভেনচাৰ হৈয়ে আছে। এই-বিলাকৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। শ্ৰীউত্তম ব্ৰহ্মাই কি কৰিলে কি কৰা নাই নাজানো। এই অঞ্চলটোত ৰাস্তা এটাও নাই। যাতায়তৰ কোনো ব্যৱস্থাই নাই।

আৰু এটা কথা মই কব খুজিছো সেইটো হৈছে বৰচাপৰি, চৰাইহাগী, কাচ-ধৰা, জলদুবি আদি অঞ্চলত অনুসূচীত সম্প্ৰদায় আৰু মুচলিম সকলৰ মাজত এটা টেনচন হৈছে এইটো কৰ পৰা কিয় হৈছে কব নোৱাৰো কিন্তু এইটোৱে গোটেই অসমতে ব্যাপক ৰূপ লব পাৰে সেই কাৰণে মই সময় থাকোতেই চৰকাৰক সাকিয়াই

ৰলো। এই বিলাক কথা নিৰ্বাচনৰ সময়তেই অৰ্বিজিনেট কৰা যেন অনুমান হয়। কাৰণ নিৰ্বাচনৰ সময়ত কংগ্ৰেছ কৰ্মী সকলে এনে কিছুমান কাম কৰিছিল। গতিকে এইটো সমস্যা সমাধান কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো। মই আস্থা ৰাখিছো আমাৰ ট্ৰাইবেলৰ যি বিলাক সমস্যা আছে সেই বিলাক সমস্যা বৰ্ত্তমান জনতা চৰকাৰে সমাধান কৰিব। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলো। ধন্যবাদ।

Shsi GAURI SANKAR ROY—Mr. Speaker, Sir. I came to attend this first sitting of the new Assembly with a hope that the Governor's Address would meet the basic problems of the State. But I am surprised to note that the Government has failed to enunciate its difinite policy on basic prablems and I am disappointed that I am getting on materials for going back with the same to my constituency to explain the Government's policy for the guidance of the people. Many basic principles and problems have been left unattended. Sir, Government has decided that the agricultural land upto 10 bighas should get exemption from payment of and revenue. This matter, I think Sir, should have been discussed here in this Assembly for decision. However, Sir I am in doubt of its ultimate implimentation and result. Many complications may arise at the time of its implementation. The procedure adopted for such decision is also seems to be questionable.

Mr. DEPUTY SPEAKER—Order, Order. The House stands adjourned till 2-30 p. m. and the hon. member Shri Roy will resume his speech after lunch.

After Lunch

Shri GOURISANKAR ROY—Mr. Speaker Sir, in the morning sitting I was talking about Agriculture. The Government has decided that agricultural land holding upto 10 bighas will be exempted from land revenue. I think this ought to have been discussed and decided in the Assembly. It has got various implication and complication and hence I am in doubt of its materialisation. This is the procedure so far I understand and hence it seems questionable. Sir, I think the decision taken by the Government, of course, may give temporary satisfaction to a section of people of our State. Sir, exemption of tuition fees as mentioned by the Government upto Class X, will give benefit to both rich and poor. There are still many L. P. Schools which have not been taken over by the Government. The Elementery Education is very essential and I think, Government ought to have given priority for taking over such L. P. Schools, before taking any other scheme.

Sir, Panchayat is the lowest level of democratic set up and the development of the country and the society largely depend on it. So, more stress ought to have been given to make the Panchayat stranger and workable. But in the policy of the present Government nothing is clear on it.

Sir, about Labour, due consideration must be given to it. The policy innauciated by this Government should be implemented as early as possible and this should not remain in the papers only. The wages at present earned by these people must be safegaurded. Because the management are trying to minimise this benefit drawing by the working class by change in the standard of work. Mereover the wages which existe now is not sufficiant and this should be fixed on need

basis. Atleast the minimum needs must be taken into consideration Sir, I want to draw the attention of the Government on this point

Sir, there is no mention about supply position of the State. The is inefficient and uncertain supply position of the states the prices of commodities also have gone high. The developing country like ours require proper machinery of production procurement fairs and distribution. But nothing of the sort of the Government policy has been enunciated by the Governor. The prices of commodities are rising day by day and thereby affecting the poor people. Moreover, the articles of daily necessity are not available from time to time.

The other day one Janata Party worker was complaining to a Minister who have recently visited Lalabazar in Hailakandi Subdivision aboutt the scarcity of salt. Sir, in this way the prices of essential commodities are going high and the people are really suffering under the scarcity

Sir, as regards the forest affairs I am bringing into the notice of the Honourable Minister of Forest certain undesirable activities on which an enquiry was set in regard to Solamora Forest Village in Longai Forest Reserve in Cachar I think the report has already been submitted long before and I reqeust the honourable Minister to take proper action on it without farther delay.

Sir, For the few days last, I have been observing that some honourable members of Jarata Party and others are accusing the Congress party in various ways of course some of them has supported the congress stand. In this respect I would like to cite an example of Janata party worker. Here, I like to bring before the the House about undesirable and illegal activities and various corrupt practices of Janata worker of Hailakandi A member of Janata Party who as alleged has made big landed property, buildings, car etc. and have been realising illegal gratification assuring to give land in forest villages wherer being encouraged by him people are entering into forest villages illegally and an enquiry will reeal the fact along with many thing.

Shri DULAL CHANDRA BARUA -- (Minister) On a point of order, Sir. Whether the Hon'ble Member has got anything in writing or he is telling all this in hearsay? If it is hearsay then this House cannot accept this.

Mr. DEPUTY SPEAKER. - I think the Hon'ble Hember will cone fine himself on the subject only and he will not go beyond the Subject. Let me read out the relevant rules.

Rule 279A of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly says, "No allegation of a defamatory or incriminatory nature shall be made by a member against any person unless the member has given previous intimation to the Speaker and also to the Minister concerned so that the Minister may be able to make an investigation into the matter for the purpose of a reply".

শ্ৰীনগেন বৰুৱা :—আপোনাৰ বিৰুদ্ধেও এনকুৱেৰী কৰা হব।

Shri GOURISHANKAR ROY.—I am challenging. Let anybody try and find out anything against me.

Shri DULAL CHANDRA BARUA, (Minister).— Nobody will escape

Shri GOURISHANKAR ROY.—Sir, this is the picture of the Janata Party Worker in my Hailakandi Subdivision and what the people can expect from such Party worker ? Sir, as the Hon'ble Members are not willing that I should bring the facts into light, I do not like to say anything but I express my disappointment again on the policy enunciated by the Governor in his address where in I find no material with which I can go back to my area and explain to the people. Thank you, Sir.

শ্ৰীমথুৰা মোহন সিংহ ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীনগেন শৰ্মা ডাঙৰীয়াই যিটো ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াইছে সেইটোৰ সমৰ্থনত মই দুষাৰ মান কবলৈ ওলাইছো। ৰাজ্যপালে তেখেতৰ ভাষণত থূল-মূল ভাবে আমাৰ ৰাজ্যখনত কি পলিচি লব খুজিছে সেইখিনি কথা বৰ্ণনা কৰিছে আৰু অতীতত যিখিনি কাম কৰিলে তাৰো থূল-মূল আভাস দিছে। এই সম্বন্ধে মই বেছি কথা নকওঁ মাত্ৰ ৩।৪ টা কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই কথা খিনি উল্লেখ কৰিছো।

The State Government is determined to continue its efforts towrds removal of poverty, attairment of economic sel-reliance, upliftment of the backward classes narrowing down regional disparities and impalances'

এই কথা কেইটা সচাঁকৈ আমাৰ ৰাজ্যখনৰ কাৰণে খুব লাগতিয়াল কথাআৰু যদি এই সমস্যাবিলাক আমি সমধা কৰিব পাৰো নিশ্চয় আমাৰ ৰাজ্যৰ বা ৰাজ্যৰ মানুহে কিছু সকাহ পাব বুলি মই ভাৱো।

প্ৰথমে মই নিবনুৱা সমস্যাৰ কথাই উল্লেখ কৰো। অধ্যক্ষ মহোদয়, আপুনি জানে স্বাধীনতাৰ পিচৰে পৰা আমাৰ দেশত স্কুল-কলেজ আদি শিক্ষানুষ্ঠান বাঢ়ি যোৱাৰ ফলত আমাৰ লৰা-ছোৱালী বিলাকে সেই শিক্ষা লাভ কৰাৰ ফলত আমাৰ নিবনুৱা সমস্যা দিনে দিনে বাঢ়ি গৈছে। আৰু এই নিবনুৱা শিক্ষিত ডেকা সকলক কৰ্ম-সংস্থান দিয়াৰ কাৰণে যিখিনি আঁচনিৰ দৰকাৰ সেইখিনি নোহোৱাৰ ফলত আজি নিবনুৱা সমস্যাই দিনে দিনে বাঢ়ি গৈছে। বশেষকৈ মেট্ৰিক পাঁচ কৰা বা তাৰ তলৰ লৰা-ছোৱালীৰ সংখ্যাই আটাইতকৈ বেছি। গতিকে এই সমস্যা সমাধান কৰাৰ কাৰণে আমাৰ চৰকাৰে নিশ্চয় উপায় উদ্ভাৱন কৰিব। এইটো বৰ ভাল কথা যে আমাৰ বৰ্ত্তমান চৰকাৰে কুটীৰ শিল্পৰ যোগেদি এই সমস্যা বিলাক সমাধান কৰাৰ কিছু আভাস দিছে। এইটো খুব ভাল কথা কাৰণ আমি ভাৱো এনেকুৱা কুটীৰ শিল্প যদি স্থাপন কৰিব পৰা যায় তেনেহলে এই লৰা-ছোৱালীবিলাকৰ কিছু সংখ্যকক অন্ততঃ নিয়োগ কৰিব পৰা যাব। আৰু চাকৰীৰ প্ৰতি লৰা-ছোৱালী বিলাকৰ যিটো ধাউতি সেইটোও কমি যাব।

মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিতে মোৰ সমষ্টিৰ এটা কথা উল্লেখ কৰিব খুজিছো। আপুনি জানে যে, গোৱালপাৰা জিলাখন পিচপৰা অঞ্চল বুলি সকলোৱে জানে। গোৱালপাৰাত এতিয়ালৈকে তিনিটা ইন্দ্ৰাষ্ট্ৰি খুলিবৰ কাৰণে প্ৰজেক্ট লৈছে। তাৰে এটা হৈছে ৰিফাইনাৰি, থাৰমেল প্ৰজেক্ট, আৰু কাগজৰ কল। ইয়াৰ কাম আৰম্ভ হৈছে কিন্তু এই তিনিটা শিল্পতে থলুৱা লোকে চাকৰি বাকৰি আদিত ন্যায়মতে পোৱা নাই।

ইয়াৰোপৰি বঙাইগাৱত এন, এফ ৰেলওৱেৰ এটা কাৰখানা আছে। তাত সময়ে সময়ে যিবিলাক নিয়োগ হৈ থাকে তাতো আমাৰ স্হানীয় মানুহে ন্যায়মতে কাম নাপায়। স্হানীয়লোক সকলে তাত একো সুবিধা কৰিব পৰা নাই। অলপতে ৰিফাইনেৰিত কিছুমান চাকৰিৰবাবে এদভাৰটাইজমেন্ট কৰিছিলে কিন্তু তাত নিৰ্দিষ্ট সময়ৰ অভিজ্ঞতা লাগিব, এনেকুৱা ধৰণৰ কিছুমান কথা সোমাই দিয়াৰ কাৰণে স্হানিয় মানুহে সেই অভিজ্ঞতা নোহোৱাৰ কাৰণে চাকৰিত সোমাৱাৰ সুযোগ পোৱা টাণ। মই ইয়ালৈ অহাৰ কিছু দিনৰ আগতে ৰিগাৰ পদৰ এটা এদভাৰটাইজমেন্ট ওলাইছিল। এইটো আসাম ট্ৰিবিউন আৰু স্হানীয় কাকতত এদভাৰটাইজ দিছিল। চতুৰ্থ আৰু পঞ্চম মান শ্ৰেণীলৈ পঢ়া অৰ্হতা আৰু ২ বছৰৰ অভিজ্ঞতা থকা লোকৰ আৱশ্যক। মই এই বিষয়ে ইয়াৰ পাৰচনেল অফিচাৰৰ লগত যোগাযোগ কৰিছিলো আৰু কৈছিলো যে,মোৰ ওচৰলৈ বহুতো লৰা আহি আছে কোনোৱে চাৰ্টিফিকেত বিচাৰি, কোনোৱে কয় যে আপুনি লিখি দিলেই হব ইত্যাদি। পাৰচনেল অফিচাৰে কলে যে পোষ্ট মুঠতে ৫ টা আছে আৰু দুবছৰৰ অভিজ্ঞতা লাগে। দৰ্খাস্ত এতিয়ালৈকে ১৭ শ পৰিছে। স্হানীয় লৰাৰ বহুতো দৰ্খাস্ত পৰিছে কিন্তু ৫ জন মানুহহে লব। ৰিগাৰ পোষ্টটো কি বুলি সোধাত তেখেতে কলে যে, তিন তলা ঘৰৰ ওপৰলৈ ডাঙৰ লোহা তুলিব লাগে। এনেকুৱা অভিজ্ঞ মানুহ স্হানীয় ভাবে পোৱা নাযায়। কাৰণ জাহাজত কাম কৰা মানুহহে এই বিষয়ত অভিজ্ঞ। এইদৰে নিবনুৱা সমস্যা সমাধান হব বুলি মই নাভাবো। থাৰ্মেল প্ৰজেক্তত ৬।৭ টামান পোষ্ট ওলাইছে। কেৰানী চাকৰী। কিন্তু এমপ্লইমেন্ট এক্সচেঞ্জত স্হানীয় মানুহ নথকাৰ কাৰণে অসুবিধা হৈছে। ১৪ টা কেৰাণী পোষ্টৰ ভিতৰত মাত্ৰ দুটা পোষ্টহে গোৱালপাৰা জিলাই পালে। ফলত স্হানীয় লৰা ছোৱালীৰ মাজত উত্তেজনাৰ সৃষ্টি হৈছে। এই ধৰণে নিবনুৱা সমস্যা সমাধান নহয়। গতিকে মই ভাবো নিয়োগৰ ক্ষেত্ৰত স্হানীয় কমিটি কৰি দিব লাগে আৰু তাত লোকেল সদস্য থাকিব লাগে। অৱশ্যে এমপ্লইমেন্টত এজন ডেপুটি ডাইৰেক্টৰ সদস্য আছে তেওঁ ইন্টাৰভিউ নললে লোকেল যি গৰাকী সদস্য থাকে তেওঁ নিৰ্দ্দেশ দিয়ে। ইয়াৰোপৰি ৰিফাইনাৰিৰ মেনেজিং ডাইৰেক্টৰ দিল্লীত থাকে। ইয়াৰ পৰা নাম,বিলাক ৰিকমেন্দ কৰি দিয়ে আৰু দিল্লীত ফাইনেল হয়। গতিকে নিয়োগত যাতে স্হানীয় মানুহে সুবিধা পায় তাৰ কাৰণে চেষ্টা কৰিব লাগে। ৰেলওৱেতো সময়ে সময়ে পোষ্ট ওলায়। কিন্তু দেখিবলৈ পাইছো যে, নিউ বঙাইগাৱত পোষ্ট ওলালে আলিপুৰ দুৱাৰত দেখুৱা হয়। ইয়াৰোপৰি ৰেলওৱে লোকৰ ডিপেনডেন্ট হলে ৫০ পাৰচেন্ট লৰাই কাম পায়।

অধ্যক্ষ মহোদয়, ইয়াৰোপৰি আমাৰ গাৱত যিবিলাক আন্দাৰ মেট্ৰিক লৰা আছে, সেইবিলাকে কোনো চাকৰি নাপায়। গতিকেস্হানীয় আই, টি, আইত ইলেকট্ৰিচিয়ান, টেইলৰিং ড্ৰাফট মেনচিপ আদি বিষয় খুলিব লাগে যাতে লৰা ছোৱালী বিলাকে শিকিব পাৰে। বঙাইগাৱ এখন ডাঙৰ টাউন। তাত প্ৰায় ৫০ হাজাৰ লোকসংখ্যা আছে। আজিকালি না না শিল্প উদ্যোগ ওলাইছে। তাত এইবিলাক ট্ৰেইনিং পাচকৰিলে নিয়োগত সুবিধা হব। এই বিষয়ে চকু দিবলৈ মই উদ্যোগ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। যাতে আমাৰ লোকেল লৰা খিনি এবজৰভ হবপাৰে।

গোৱালপাৰাৰ স্হানীয় লৰা হায়াৰ কুৱালিফিকেচন কম আছে। গতিকে এই লৰা বিলাকক যি কোনো কনচাৰ্নৰ জৰিয়তে বাহিৰত শিকাই আনিব লাগে। তেতিয়াহলেহে এই লোক সকলে ভবিষ্যতে সংস্হাপন পোৱাত সুবিধা হব। আজি কোনো প্ৰতিষ্ঠানত কুৱালিফাইড লোক নিয়োগ কৰিব লাগিলে আমাৰ তাৰ লৰাবিলাক বঞ্চিত হয়। পেপাৰ মিলত বি,এচ,চি লৰা কিছুমানক নিয়োগকৰিছে। তেনে ধৰণে ব্যৱস্হা কৰিবলৈ মই অনুৰোধ কৰিছো।

কৃষিৰ সম্পৰ্কত মোৰ অলপ কব লগা আছে। কৃষিৰ বাবে আটাইতকৈ প্ৰয়োজনীয় বস্তু হল পানী। বাস্তব ক্ষেত্ৰত দেখা গৈছে খেতিয়কৰ পানী যোগানৰ ব্যৱস্হা হোৱা নাই। মোৰ সমষ্টিত আজি ২৫ বছৰ ধৰি বৰ্ণ গাওঁ, মূলাগাওঁ দোং বান্ধ বান্ধি বহু লাখ টকা খৰচ কৰিছিল। কিন্তু সেইটো কৃতকাৰ্য্য নহল। মাজতে দাইভাবচন কৰা হল প্ৰায় ছয় লাখ টকা খৰচ কৰি, কিন্তু তাৰ পৰাও উপকৃত নহল। এতিয়ালৈকে ১২ জন ইঞ্জিনিয়াৰ তাৰ পৰা গুচি গল। এই বান্ধটোৱে বহুত দুখীয়া মানুহৰ মাটি নষ্ট কৰিলে। এই কথাটো মুখ্যমন্ত্ৰীক জনাইছিলো। ইঞ্জিনিয়াৰে চাৰ্ভে কৰিছিল। তেখেতে কলে এবান-দন কৰিব লাগিব। বেলেগ ব্যৱস্হা হব বুলি কৈছিল। কিন্তু সেই ব্যৱস্হা আজিলৈ নহল। গভীৰ নলীনাদ বহুওৱা কথা আছিল কিন্তু এতিয়ালৈকে বহুওৱা কথা আমি জনাই নাই। সেই অঞ্চলটোৰ চাবিহাজাৰ একৰ মাটি বৰষুণৰ ওপৰত নিৰ্ভৰ কৰে। মোক ৰাইজে কয় এই দোং বান্ধটো কৰিবলৈ হুকুম দিব লাগে। মই কৈছো সেইটো মই কেনেকৈ হুকুম দিম। গতিকে ৰাইজৰ ইচ্ছা পূৰণ কৰিবৰ বাবে সোনকালে পানী যোগানৰ ব্যৱস্হা কৰি দিব লাগে। সেই অঞ্চলৰ পথাৰৰ মাজেদি ইলেকট্ৰিচিটি গৈছে। দুই চাৰিটা লিফট ইৰিগেচন হৈছে কিন্তু কৃতকাৰ্য্য হোৱা নাই। গভীৰ নলীনাদ কৃতকাৰ্য্য হব যিহেতু তাত ডাঙৰ নদী নাই পানী তোলাৰ কাৰণে।

এতিয়া মই যাতায়তৰ ক্ষেত্ৰত অলপ কব বিচাৰিছো। যোগীঘোপাত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হব লাগে বুলি এই সদনত তিনিবাৰ প্ৰস্তাব লোৱা হৈছিল, কিন্তু এই বিষয়ত কিমান খিনি আগবাঢ়িছে ৰাইজে নাজানে। গোৱালপাৰালৈ যাবলৈ ব্ৰহ্মপুত্ৰ নদী জাহাজত পাৰ হব লাগে। গোৱালপাৰাৰ ৰাইজে এই বিষয়ে বহুবাৰ আবেদন নিবেদন কৰিছে। এতিয়া এটা ভাল প্ৰচেষ্টা চলিছে যে যোগীঘোপা আৰু শিলঘাট আৰু ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হব লাগে। এই দলং হলে ৰাইজৰ যাতায়তৰ সমস্যা সমাধান হব। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেদি গোৱালপাৰাৰ পৰা গুৱাহাটীলৈ ৰেল লাইনৰ ব্যৱস্হা হলে বহু খিনি সমস্যাও সমাধান হব। বঙ্গাইগাৱৰ পৰা গুৱাহাটীলৈ ৰেল লাইন আহিছে আৰু মাজত বহুত খৰস্ৰোতা নদী পাৰ হৈ আহিব লাগে। আৰু বিশেষকৈ নদী বিলাক উত্তৰ-দক্ষিণ আৰু ৰেল লাইন পূৱা-পশ্চিমা। এইটো হোৱাৰ কাৰণে বানপানীত কেতিয়াবা যোগাযোগ বন্ধ হৈ যায়। গতিকে দক্ষিণ পাৰেদি ৰেল লাইন আহিলে সুবিধা হব বুলি ভাবিছো। মোৰ সমষ্টিত ৰাস্তাৰ অৱস্হা বৰ শোচনীয়। আটুগাওঁ বিদ্যাপুৰ ৰাস্তা আৰু বিদ্যাপুৰ সুন্দৰী ৰাস্তাৰ অৱস্হা বৰ শোচনীয়। বঙ্গাই গ্ৰাৰত নতুন থানা হৈছে তালৈ মানুহ বিলাক যাব লাগে আৰু মাজত পাহাৰ আছে। ৰাস্তা ভাল নোহোৱাৰ বাবে ১২ মাইল ৰাস্তাৰ ঠাইত ৩৩ মাইল ৰাস্তা ঘূৰি যাব লাগে। মটৰ চলাচল হোৱা নাই। মানুহ খিনিৰ আগতে চিদলি থানাৰ আছিল। এতিয়া বঙ্গাই গাঁও থানাৰ অন্তৰ্ভুক্ত কৰিছে। গতিকে ৰাস্তাৰ ভাল ব্যৱস্হা কৰিব বুলি আশা কৰিলো। আমাৰ পিচপৰা সম্প্ৰদায় বিলাকৰ আৰ্থিক উন্নতিৰ কাৰণে বিশেষ ব্যৱস্হা লব লাগে। মই নিজে গোৱালপাৰা ডেভেলপমেন্ট বোৰ্ডৰ চেয়াৰম্যান আছিলো। বেংকৰ লগত কত যোগাযোগ কৰিও দুখীয়া মানুহ বোৰক বেংকৰ লন দিব নোৱাৰিলো। বেংকে লন দিব নোখোজে। আমাৰ গৰীব জন-জাতীয় আৰু অনুসূচীত লোক সকল তথা পিচপৰা সম্প্ৰদায় বিলাক এই সুবিধাৰ পৰা বঞ্চিত হৈছে। বহুত লাগি মেলি ৩-৪ জনক ঠেলা ৰিক্সাৰ বাবে বেংকৰ লন দিছিলো। তেওঁলোকে নিয়মিত ভাবে কিস্তি নিদিয়াৰ ফলত আমাক মেনেজাৰে ধৰে। গতিকে বেংকৰ লন দিয়া ব্যৱস্হাটো সহজ হব লাগে, তেতিয়াহলে ৰাইজৰ আৰ্থিক উন্নতি হব। এই খিনিকে কৈ সামৰণি মাৰিলো।

Mr. SPEAKER.—Now, the debate is almost approaching the end. The debate will continue upto 3-30 p. m. Thereafter the Ministers will give reply. As far as I understand, there are three Ministers including the Chief Minister who will reply. So, they will take sometime and I think about 75 minutes will be taken by them. It may be that the Chief Minister will take half an hour and the mover may also take 15 minutes. I would, therefore, request the Hon'ble Members just to follow the time properly so that we can cover the debaters in time. Now, Shri Baikuntha Das.

শ্ৰীবৈকুণ্ঠ নাথ দাস ঃ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সন্দৰ্ভত আমাৰ দলপতিয়ে অনা সংশোধনী প্ৰস্তাৱটো সমৰ্থন কৰি দুই চাৰি আষাৰ কথা কম বুলি থিয় হৈছো। পোন প্ৰথমে এইটো কথা কব লাগিব যে আজি বিশ বছৰৰ পৰা এই পবিত্ৰ সদনৰ সদস্য হৈ আহি থকা মাননীয় সদস্য সকলেও এই ফালে আঙুলিয়াই কথা কৈ আহিছে। তাৰ ভিতৰত অৱশ্যে এজন মাননীয় সদস্যই এই কালছোৱা ছয় বছৰৰ ভিতৰতে সীমাবদ্ধ কৰি কথা কৈছে। সেই কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। কিন্তু বহুত মাননীয় সদস্যই যে ত্ৰিশ বছৰ আগতে এইফালে আছিল আৰু আগৰ ত্ৰিশ বছৰ এই ফালে থকা বহুতো মাননীয় সদস্যই যে এতিয়া সেই ফালে বহি আছে সেই ফালে কিন্তু আঙুলিয়াই দিয়া নাই। "এতিয়া খাই কাৰ্শলা ডালত উঠিল কাঠি চেলেকাৰ মৰণ মিলিল" অৱস্থা হৈছে।

(ভইচ ঃ বৰ দুৰ্যোগৰ সময় আহিছে)
আকৌ ঠাই সলনি হোৱাৰো সময় আছে।
(ভইচ ঃ সেইটো পিচত প্ৰমাণ হব)

নতুন চৰকাৰ হিচাবে জনতা চৰকাৰৰ বিষয়ে কিবা কবলগীয়া আছে বুলি মই ভবা নাই। আগৰ চৰকাৰে একো কৰা নাই বুলি বহুতো মাননীয় সদস্যই ব্যাখ্যা কৰিছে কিন্তু মই বহুত ষ্টেটিচ্‌টিক্স যোগাৰ কৰি আনিছিলো। সময় নহব কাৰণে শিক্ষাৰ ক্ষেত্ৰত কেইটামান কথাকে কব খুজিছো।

অধ্যক্ষ মহোদয়, দশম মান শ্ৰেণীলৈকে মাচুল ৰেহাই দিয়া এইটো একো নতুন কথা নহয়। আগৰ চৰকাৰৰ দিনতে অষ্টম মানলৈকে মাচুল ৰেহাই দিয়া হৈছিল আৰু দশম মানলৈকেও দিয়াৰ কথা চিন্তা কৰা হৈছিল আৰু সেইটো পৰ্য্যায়ক্ৰমে কৰাৰ আঁচনি লোৱা হৈছেল।

(ভইচ ঃ দিয়া নাছিল)

বিভিন্ন অঞ্চলৰ বিভিন্ন সমস্যা আছে। শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ যি বিলাক অঞ্চলৰ ট্ৰাইবেল মানুহ বেছি আছে সেই বিলাক ঠাইত শিক্ষাৰ ক্ষেত্ৰত পিচপৰি আছে। বহুত ঠাইত হেডমাষ্টাৰ বা মেনেজিং কমিটিয়ে কি কৰিব কি নকৰিব ভাবিবলগীয়া হৈছে। বিশেষকৈ বড়ো মাধ্যমত কিছুমান হাইস্কুলত অষ্টম মানলৈকে পঢ়াবলগীয়া হোৱা কাৰণেই এই ধৰণৰ অসুবিধাই কামৰূপ জিলাৰ বহুতো অঞ্চলত গা কৰি উঠিছে। দুটা বেটচ কৰি পঢ়াবলগীয়া হৈছে। তাতো অসুবিধা হয়। কিয়নো লৰা-ছোৱালী বিলাকৰ কোনো ঘড়ী ঘন্টা নাই ফলত দহটা নাবাজোতেই আহি স্কুলৰ চৌহদত গোলমাল কৰি থাকে। ফলত ক্লাচ কৰা অসুবিধা হয়। দ্বিতীয়তে অফিচৰ পৰা পাবলগীয়া বস্তু বিলাক ঠিকমতে

পোৱাত অসুবিধা হয়। ৰুম আৰু ফাৰ্ণিচাৰৰ অভাৱত একেলগে ক্লাচ কৰিব পৰা নহয়। ষ্টাফ কম। দৰমহাৰ কাৰণে ষ্টাফ লবও পৰা নাযায়। বহুতো এম-ই স্কুলত বা হাইস্কুলত চাৰিটা ক্লাচ হয় বড়ো মাধ্যমত পঢ়াবৰ কাৰণে চৰকাৰী মঞ্জুৰী পোৱা শিক্ষক থাকে দুজন গতিকে চম্ভালিব নোৱাৰে। সেই বিষয়ে সোনকালে ব্যৱস্হা লব লাগে। কিছুমান স্কুলত বিশেষকৈ এম-ই স্কুলত ১৯৭৪ চনতে ডাইৰেক্ট গ্ৰান্ট দিছে সেই স্কুল জাতীয়-কৰণ কৰিব লাগিছিল কিন্তু আজিলৈকে নকৰাৰ ফলত স্কুলৰ শিক্ষকে দৰমহা আদি পোৱাত ব্যাঘাত ঘটিছে। শিক্ষক সকলৰ ইয়াৰ কাৰণে ভয়ানক অসুবিধা হৈছে। এইটোৰ এটা তদন্ত কৰি অতি সোনকালে ব্যৱস্হা লব লাগে। এই প্ৰসঙ্গতে মই বৰমাৰ অন্তৰ্গত বঙালীপাৰা স্কুলৰ কথা এটা কব খুজিছো। সেই স্কুলত ১৯৭৪ চনৰ ডাইৰেক্ট গ্ৰান্ট দিয়া হল যদিও লিষ্ট হেৰোৱা কাৰণে এতিয়া অসুবিধা হৈছে। ডি-পি-আই অফিচৰ পৰা কৈছে হোনো গেজেট নোটিফিকেচন যদি চৰকাৰৰ ফালৰ পৰা নিদিয়ে তেনেহলে স্কুলত শিক্ষকৰ দৰমহা দিব নোৱাৰে। এই স্কুলৰ শিক্ষক বা লৰা-ছোৱালীৰ কি অৱস্হা হয় ভাবিবলগীয়া বিষয় হৈ পৰিছে। ইয়াৰ বাহিৰেও বোধকৰো আন বহুতো এনেকুৱা দুৰ্দশাৰ স্কুল আছে। বহুত স্কুলৰ কথা মাননীয় সদস্যসকলে বক্তৃতা প্ৰসঙ্গত কৈছেই।

অধ্যক্ষ মহোদয়, ট্ৰাইবেল চাব প্লানৰ কাৰণে কিমান খিনি টকা পইচা আছিল সেই বিষয় আমি অবগত নহও। এইটো কিন্তু ভাল কথা। কিয়নো ইয়াৰ দ্বাৰা ভৈয়ামৰ ট্ৰাইবেল খিনিৰ উন্নতি কৰিবলৈ বিচৰা হৈছে। কিন্তু কথা হল এই চাব প্লানৰ কাম আৰম্ভ কৰাৰ আগতে চোচিঅ' ইক' নমিক চাৰ্ভে কৰা নিতান্ত প্ৰয়োজন। নহলে কোনোবা দুখীয়া বিধৱা এগৰাকীক যদি এহাল গৰু দিয়াৰ পৰা অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত কি সুফল হব। তেনেকৈয়ে মাটীহীন লোক এজনক এহাল গৰু কিনি দিয়াৰ পৰাও কোনো কামত নাহে। তাৰ সলনি কোনো এজনে হয়তো মিস্ত্ৰি কাম কৰি খায়। তেওঁক তেনে ধৰণৰ সুবিধা দিব পাৰিব লাগিব। তেহে তাৰ দ্বাৰা উপকৃত কৰাৰ আশা কৰিব পাৰি। সকলো মানুহে সকলো কাম কালচাৰ বা কৃষ্টিৰ ফালৰ পৰাও সমাজত কৰিবলৈ ইচ্ছা নকৰে বা বংশপৰম্পৰা হিচাবে নকৰে। সেই বিলাক কথা চাৰ্ভে কৰি চাব লাগিব। মহকুমা পৰ্য্যায়ত ডেভেলাপমেন্ট বোৰ্ড তৈয়াৰ কৰা হৈছিল এই চাব প্লানৰ কাম চম্ভালিবৰ কাৰণে কিন্তু মই কও দৰকাৰ হলে এক্সপাৰ্ট আদি আনি হলেও প্ৰথমতে চাৰ্ভে কৰি লোৱাটোহে প্ৰয়োজনীয় কথা। তাকে নকৰিলে প্লানৰ টকা সমুদায় নষ্ট হোৱাৰ আশাই বেছি।

(সময়ৰ সংকেত)

সেই কাৰণে এই কথাটো গভীৰ ভাবে চিন্তা কৰি চোৱা প্ৰয়োজন।

শ্ৰীচামচন্দ্ৰ হুদা:—এইটো একৈশ মাৰ্চনে তাৰ পিচত?

শ্ৰীবৈকুণ্ঠ নাথ দাস:—কাকো টাইম লিমিট কৰি দিয়া নাই বা কাকো আক্ৰমনো কৰা নাই। মই কেৱল সামগ্ৰিক ভাবে কৈছো। আৰু বেছি নকওঁ।

মই আৰু অলপমান কৈয়েই শেষ কৰিম, এই ডেভোলপমেন্ট বোৰ্ডৰ আঁচনি বিলাক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আমি পশ্চিম জাৰ্ম্মানিৰ পৰা ৫ লাখ টকা পাইছিলো আৰু সেই আঁচনিৰ চাৰভে ইত্যাদি কৰাৰকাৰণে নলবাৰীৰ এচ, দি, অ, কামৰুপৰ দি, চি আৰু নলবাৰী কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে চচিয় ইকোনমিক ইত্যাদিৰ চাৰ্ভেত যি বিলাক সহায় সহযোগিতা আগবঢ়াইছে তাৰ বাবে তেখেত সকলক আমি ধন্যবাদ

জনাইছোঁ আৰু তেখেত সকলৰ এই সহায়ৰ কাৰণেই আমি সেই আঁচনি হাতত লবলৈ সমৰ্থ হৈছিলো। এতিয়া আৰু ১৩ খন গাওঁ লবৰ কাৰণে প্ৰস্তাৱ আহিছে, সিদিনা এগৰাকী মেম তালৈ আহি গৈছে আৰু এই বিষয়ত কথা-বতৰা হৈ গৈছে। অকল যে পশ্চিম জাৰ্মানীৰ পৰাই আমি এই ক্ষেত্ৰত সহায় লম এনে নহয় আন আন দেশৰ পৰাও সহায় পালে নিশ্চয় গ্ৰহণ কৰিম যাতে আমাৰ এই গাওঁ কেইখনৰ অৰ্থনৈতিক সমস্যা সমাধানত আগবাঢ়ি যাব' পাৰো আৰু তাৰ লগতে আমাৰ ৰাজ্যখনৰ অৰ্থনীতি সবল কৰি তুলিব পাৰো। মাননীয় অধ্যক্ষ মহোদয়ে এই খিনি কবলৈ দিয়াৰ কাৰণে তেখেতক ধন্যবাদ জনাই সামৰণি মাৰিলো।

শ্ৰীফণী মেধী :— মাননীয় অধ্যক্ষ মহোদয়, আপুনি যেতিয়া সময় বান্ধি দিলে তেনে ক্ষেত্ৰত সময় নিচেই কম হোৱাৰ কাৰণে যদিয়ো মোৰ বহুতো কব লগীয়া আছিল কিন্তু সকলো খিনি কথা এই কম সময়ৰ ভিতৰত কোৱাৰ কৰিব নোৱাৰিম। এইবাৰৰ ৰাজ্যপালৰ ভাষণটো নতুন জনতা চৰকাৰৰ ভাষণ বুলি ভাবিবলৈ আমি টান পাইছোঁ, এই ভাষণটো আগৰ কংগ্ৰেছ চৰকাৰৰ নে এই চৰকাৰৰ ভাষণ এইটো চিন্তা কৰিবলগীয়া কিয়নো যোৱা ৩০ বছৰে কংগ্ৰেছৰ শাসনৰ পাচত সমগ্ৰ অসমৰ মেহনতী জনতাই ভাবিছিল যে এইবাৰ পোন প্ৰথমবাৰৰ কাৰণে আমাৰ দেশত অকংগ্ৰেছী চৰকাৰ গঠন হ'ল আৰু এই নতুন চৰকাৰে অসমৰ সকলো শ্ৰেণীৰ মানুহৰে আশা-আকাংখ্যা পূৰণ কৰিব আৰু সেই লৈয়েই অসমৰ জনতাই অপেক্ষা কৰিছিল। কিন্তু আজি এই ৰাজ্যপালৰ বিবৃতিত পালো কেৱল গতানুগতিক শব্দ গাঠনিৰ চয়ন প্ৰয়োগ কৰাৰ বাহিৰে কোনো নতুন বিশেষত্ব একো নাপালো। মই মাত্ৰ তিনিটা প্ৰধান সমস্যা কথা উল্লেখ কৰিম। তাৰে প্ৰথমটো হ'ল জৰুৰী কালিন অৱস্থাৰ সময়ত যিবিলাক ৰাজনৈতিক নেতাক জেইলত বন্দী কৰি ৰখা হৈছিল সেই ৰাজনৈতিক বন্দী সকলক মুক্তি দিয়াৰ কাৰণে মই পুনৰ চৰকাৰক অনুৰোধ জনাইছোঁ, আমাৰ চি, পি, এম, এলৰ ৫ জন ৰাজনৈতিক বন্দী যোৱা ৮ বছৰে কাৰাগাৰত থাকিব লগীয়া হৈছে আৰু এই বিষয়ে তেওঁলোকৰ মুক্তিৰ হকে জনতা চৰকাৰ কেন্দ্ৰত গঠন হোৱাৰ পাচত লোক সভাত এই বিষয়ে প্ৰশ্ন উঠিছিল আৰু তেতিয়া ৰাজনৈতিক বন্দী সকলক বিনা স্বৰ্ত্তত মুক্তি দিয়া হব বুলি আশা কৰিছিলো, কিন্তু জনতা চৰকাৰ হোৱাৰ লগে লগে তেখেত সকলে নিৰ্ব্বাচনী প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ আহি পৰিছে। সুখৰ কথা যে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীবৰবৰা ডাঙৰীয়াই ৰাজনৈতিক বন্দী সকলক মুক্তি দিয়াৰ ক্ষেত্ৰত এটা সুবিবেচনা কৰা হব বুলি তেখেতৰ উদ্বোধনী ভাষণত আশ্বাস দিছে। কিন্তু আচৰিত কথা যে সেই সময়ত ভাৰতবৰ্ষত যিবিলাক ৰাজনৈতিক বাদী আছিল সেই সকলক মুক্তি দিয়াৰ ক্ষেত্ৰত কিছুমান স্বৰ্ত্ত আৰোপ কৰিব বিচাৰিছে, অৰ্থাৎ সেই বন্দী সকলক এগ্ৰিমেণ্টত চহী কৰাইহে মুক্তি দিব বিচাৰিছে কিন্তু কোনো আত্মসন্মান থকা আৰু স্বাধীনতা প্ৰিয় নেতাই তেনে ধৰণে চহী কৰি মুক্তি নিবিচাৰে। কেন্দ্ৰত জনতা পাৰ্টিত প্ৰধানকৈ দুটা পন্থী আছে তাৰে এটা নৰম পন্থী আৰু আনটো গোড়া পন্থী, কিন্তু আমাৰ বৰবৰা ডাঙৰীয়া গোড়া পন্থী নাছিল তেখেত চচিয়েলিষ্ট নেতা আছিল আৰু ট্ৰেড ইউনিয়নৰ নেতা তেখেতে যাতে এই গোড়া- পন্থীৰ লগত লগ লাগি ৰাজনৈতিক বন্দীৰ বিষয়ে আওকান নকৰে। বহুতো ঠাইত এই গোড়া পন্থীয়ে নিৰ্ব্বাচনত পৰাজিত হৈছে, ৰাইজে তেওঁলোকক প্ৰত্যাখান কৰিছে। অসমৰ ৫ জন ৰাজ বন্দীৰ ভিতৰত ৩ জন যাৱৎজীৱন কাৰাদণ্ড আৰু ২ জন বিচাৰাধীন হৈ আছে। জৰ্জ ফাণানদেজ একে অভিযোগত অভিযুক্ত হৈও মুক্তি পালে। আমাৰ বৰবৰা ডাঙৰীয়া ও বিভিন্ন অভিযোগত অভিযুক্ত হৈ কাৰাগাৰত থাকি মুক্তি পোৱালোক। জৰুৰী কালিন অৱস্থাৰ সময়ত অন্ধ্ৰত ২ জন ৰাজনৈতিক বন্দীক ফাঁচী দিয়া হৈছিল কিন্তু জৰুৰীকালিন অৱস্থা চলি থকাৰ কাৰণে কাগজত সেই বিলাক প্ৰচাৰ হোৱা নাছিল কিন্তু সেইবিলাক কথা তেতিয়া কানাডা আৰু লণ্ডনত প্ৰচাৰ হৈছিল এই ৰাজনৈতিক বন্দীক ফাঁচী দিয়াৰ কাৰণে। তাৰ পাচত আমাৰ অসমৰ জেইলবিলকাৰ দুৰ্দ্দশাৰ কথা

কও, আমাৰ ইয়াৰে বৰ্ত্তমান মন্ত্ৰী সভাত থকা মূখ্য মন্ত্ৰীকে ধৰি বৰুৱা ডাঙৰীয়া আৰু মন্ত্ৰী সভাৰ সদস্য আন আন কেবাজনো জৰুৰীকালিন অৱস্হাত কাৰাগাৰত আছিল। তেতিয়া তেওঁলোকে নিশ্চয় গম পাইছে আৰু তেখেত সকল অভিজ্ঞতা হৈছে আমাৰ জেইল বিলাকৰ অৱস্হা কেনে ধৰণৰ। ধুবুৰীত এখন জেইল আছে যত ১২২ জন কয়েদী থাকিব পাৰে কিন্তু তাত ৫০০।৭০০ মান কয়েদী সুমুৱাই দিছেঁাহ আৰু একেলগে জঘন্য ঠাইত তেওঁলোকক গা-পা ধুবলৈ দিয়ে যে দেখিলে ভয় লাগি যায় জেইল বিলাক অত্যন্ত লেতেৰা আৰু ভয়ানক অৱস্হাত ৰাখিছে। কয়েদীয়ে খাবলৈ নাপায় আৰু তেওঁলোকৰ ওপৰত বিষম মাৰ ধৰ কৰে, অত্যাচাৰ কৰে ফলত বহুতো কয়েদীয়ে মৃত্যু মুখত পৰিবলগীয়া হয়। গতিকেই মই আমাৰ নতুন জনতা চৰকাৰৰ জেইল মন্ত্ৰী আৰু মূখ্য মন্ত্ৰী মহোদয়ক এই জেইলৰ অৱস্হাৰ এটা আমোল পৰিবৰ্ত্তন আনিবলৈ অনুৰোধ জনাইছোঁ আৰু লগতে সদনৰ সদস্যৰে গঠিত এটা কমিটি গঠন কৰি এই জেইল সংস্কাৰ সাধন কৰিব লাগে আৰু এই জেইল সংক্ৰান্তত যিবিলাক দুৰ্নীতি পৰায়ন কৰ্ম্মচাৰী বা বিষয়া আছে তেওঁলোকৰ ওপৰত কঠোৰ শাস্তি মূলক ব্যৱস্হা লবৰ কাৰণে নিবেদন জনালো।

তৃতীয় কথা হল খেতিয়ক সকলক উচ্ছেদ কৰাৰ প্ৰশ্ন। অসমৰ বিভিন্ন ঠাইত বিশেষকৈ দৰঙৰ ককলাবাৰী, দৈয়াং, আমটেকা আদি ঠাইত অনুসূচিত গৰীব জনজাতিৰ ওপৰত উচ্ছেদ কাৰ্য্য চলাইছিল। কিন্তু এই উচ্ছেদ কাৰ্য্য কৰা হৈছিল মাটিগিৰীত স্বাৰ্থত এইবিলাক মাটি এনেয়ে জংঘল হৈ পৰি আছে। এই বিলাক উচ্ছেদ কাযত বিৰোধীতা কৰি মন্ত্ৰী সভাৰ দুই এজনেও সংগ্ৰাম কৰিছিল। এই কথা বৰ্ত্তমানৰ মন্ত্ৰী মহোদয়েও জানে। গতিকে মই আশা ৰাখিছো যে তেওঁলোকে যেন শাসনৰ গাদিত বহী সেই কথা পাহৰি নাযাই ইয়াৰ যথা যথ ব্যৱস্হা কৰে। (সময়ৰ সংকেট) মই আৰু বেচি নকও কেৱল মাত্ৰ এটা কথা কও সেইটো হৈছে বাননিয়ন্ত্ৰণৰ কথা। ভাৰতবৰ্ষৰ বিখ্যাত বৈজ্ঞানিক ডঃ কে, এল, ৰায়ে নদী নিয়ন্ত্ৰণৰ যি পৰামৰ্শ দিছে সেই মতে অসমৰ বাননিয়ন্ত্ৰণৰ ব্যৱস্হা কৰিব লাগে। চীন দেশত যদি বহুত নদী হোৱাংহো, লাহু নদীৰ দৰে ভয়ংকৰ নদী মেনপাৱাৰৰ জৰীয়তে কন্ট্ৰোল কৰিব পাৰে তেনেহলে আমাৰ অসমৰ ৰাইজে কিয় নোৱাৰিব। বি, এফ চিৰ আঁচনিৰ বাবে ৫০০ কোটি টকা ধাৰ্য্য কৰিছিল, সেই টকা কেন্দ্ৰীয় চৰকাৰে নিদিলে। মই জনতা চৰকাৰৰ ওচৰত অনুৰোধ জনাম যে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উক্ত টকাৰ বাবে দাবী কৰা আৰু যি জন শক্তিৰ প্ৰয়োজন হয় সেইটো আমি কৰিম। মই কৈছো যে আমাৰ দলৰ পৰা আমি ৫০০০ হাজাৰ জনশক্তিৰ শ্ৰমদান হিচাবে আগবঢ়াম। আৰু তেনেকৈ যদি আমাৰ সদনৰ প্ৰতিজন সদস্যই ৫০০০ হাজাৰকে শ্ৰমশক্তি আগবঢ়াই তেতিয়াহলে নিশ্চয় আমি আমাৰ অসমৰ লুইতৰ বান পানী ৰোধ কৰাত কৃতকাৰ্য্যতা লাভ কৰিম। এই খিনি পৰামৰ্শ মই আমাৰ জনতা চৰকাৰলৈ আগবঢ়ালো আশা কৰিলো তেওঁলোকে যেন উলাই নকৰে। কাৰণ এই বানপানীৰ কবলত প্ৰত্যেক বছৰে ১০ কোটিৰো ওপৰ সা-সম্পত্তি, শষ্য-সামগ্ৰী আদি নষ্ট কৰে জনসাধাৰণৰ মাজত নানা সমস্যাৰ সৃষ্টি কৰে। শেষত কৃষিৰ বিষয়ে দুই আষাৰ কও। আগৰ যি ব্যৱস্হা আছিল কৃষি বিষয়ত তাৰ যদি আমোল পৰিবৰ্ত্তন নকৰে তেতিয়া হলে কৃষি বিষয়ত কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰে।

মাননীয় অধ্যক্ষঃ—আপুনি বহু সময় লৈছে। বাকী সকলোকে ১০ মিনিটকৈ দিয়া হৈছিল আপোনাক ১৫ মিনিট দিয়া হৈছে। আপুনি আশন গ্ৰহণ কৰক।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—(মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত আমাৰ মাননীয় সদস্য সকলে অংশ গ্ৰহণ কৰিছে। আৰু এই বিষয়ত বহুতো ধৰণৰ আলোচনা আৰু পৰামৰ্শ আগতেই আগবঢ়াইছে মোৰ ইচ্ছা নাছিল এই বিষয়ত অংশ গ্ৰহণ কৰিবলৈ, কিন্তু যিহেতুকে মই থকা বিভাগত ভালেমান আলোচনা হ'ল, গতিকে দুআষাৰ কবলৈ আগবাঢ়িছো। প্ৰথম প্ৰশ্ন মাননীয় সদস্য সকলে উত্থাপন কৰিছে, ৰাজ্যপালৰ ভাষণত খাদ্যদ্ৰব্যৰ সম্পৰ্কে এটা উল্লেখ থাকিব লাগিছিল। কিন্তু উল্লেখ সচাঁকৈ নাই। অৱশ্যে থকাটো উচিত আছিল। মাননীয় সদস্য সকলে যি উদ্বেগ প্ৰকাশ কৰিছে তাৰ যথেষ্ট থল আছে। কিন্তু আপোনাৰ যোগেদি মাননীয় সদস্য সকলক কবলৈ বিছাৰিছো যে, আমি শাসনৰ ভাৰ গ্ৰহণ কৰাৰ পাচত এই ৰাজ্যপালৰ ভাষণখন প্ৰস্তুত কৰা হৈছিল। সময়ৰ অভাৱ, এটা বস্তু ভাল দৰে পৰীক্ষা নকৰাকৈ যদি সকলোৰে আগত দাঙি ধৰো তেনেহলে অধিক সময়ত ৰাইজক ভুল পথে পৰিচালিত কৰা হব। গতিকে আমি বিত্ত মন্ত্ৰী মহোদয়ৰ ভাষণত উল্লেখ কৰিছো। সেই সময়ত আৰু কিছুমান অসুবিধাৰ কাৰণে ৰাজ্যপালৰ ভাষণত কিছুমান কথা উল্লেখ কৰিব পৰা নহল। অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় সদস্য সকলৰ আগত এটা কথাই কব বিছাৰিছো যে, নতুনকৈ এখন চৰকাৰ গঠন কৰাৰ পাচত আগৰ চৰকাৰে যি শাসন যন্ত্ৰ এৰি থৈ গৈছে, সেই শাসন যন্ত্ৰৰ বাজেট লৈ কাম কৰা কিমান টান কথা সেই সম্পৰ্কে আগৰ মন্ত্ৰী সকলে জানে। মই দুখেৰে কবলগীয়া হৈছো আৰু মই কাকো সমালোচনা কৰিবলৈ নাজাও কিন্তু আমাৰ হাতত শাসন যন্ত্ৰটোৰ এনে এটা ব্যৱস্থা আমাৰ মাজত এৰি থৈ গৈছে যে যতেই আমি হাত দিও তাতে কিছুমান বাধাৰ সম্মুখীন হব লগা হৈছে। গতিকে সেই বেমেজালি, খাম খিয়ালি বাধা বিলাক দুৰ কৰিব নোৱাৰো তেতিয়ালৈ ৰাইজক ইমান সোনকালে সুব্যৱস্থা দিয়াতো সহজ কথা নহয়। তথাপিতো জনসাধাৰণ যি প্ৰতিশ্ৰুতি দিয়া হৈছে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা পদক্ষেপ লোৱা হৈছে।

খাদ্য নীতি বা খাদ্য বস্তু সংগ্ৰহ এই কথাটো চেলফ কণ্ট্ৰাদিক্টৰী ইটোৰ লগত সিটোৰ সামঞ্জস্য নাই। এই মিল নোহোৱাৰ ফলতে ভাৰতবৰ্ষৰ এমুঠি খাবলৈ নোপোৱা মানুহখিনিক শোষক শ্ৰেনীৰ হাতত তুলি দিয়া হৈছে। বৰ্ত্তমান অৱস্থাত আমি যদি বিশ্লেষণ কৰি চাঁও তেনেহলে মাননীয় সদস্য সকলে দেখিব খাবলৈ নোপোৱা সকলৰ মাজত সংগ্ৰাম চলিছে। পোৱা শ্ৰেণীয়ে কিন্তু পায়ে আছে। আমি প্ৰতিনিধিত্ব কৰিবলৈ সেই সকলক আৰু সেই সকলক খাদ্য সম্ভাৰ দিয়াৰ দায়িত্ব দৃঢ়তাৰে বহন কৰিবলৈ আগবাঢ়িছো। এই বিষয়ে যিবিলাক ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেই সম্পৰ্কে পাচত ইঙ্গিত দিম। মই এটা কথাতে দুখ পাইছো জনতা পাৰ্টিয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰা ১৫-২০ দিন মাত্ৰ হৈছে এইখিনি সময়তে তেখেত সকলে যি ধৰণে সমালোচনা কৰিছে বা হাঁহিবলৈ লৈছে সেইটো দুখৰ কথা। কি অৱস্থাত কাৰ্য্যভাৰ গ্ৰহণ কৰিবলগীয়া হৈছে তেখেত সকলে এই কথাটো ভালকৈ জানে। আমাৰ মাননীয় সদস্য সকলে আগৰ চৰকাৰক অৰ্থাত কংগ্ৰেছ চৰকাৰক গালি পাৰিছে, সমালোচনা কৰিছে কিন্তু কিয় কৰিছে কি আমি নকৰো মোৰ মনত আছে যেতিয়া আমি জেলত থাকোতে আমাক দেখা কৰিবলৈ জেল মন্ত্ৰী বা গৃহমন্ত্ৰী গৈছিল তেতিয়াই আমি এটা কথা কৈছিলো গতিকে আমাৰ যুবকৰ জীৱন বিপন্ন কৰিছিল, অতিষ্ঠ কৰি দিছিল জেলৰ পৰা ওলাই আহি আজি তেখেত সকলে দুখ আৰু ক্ষোভ প্ৰকাশ কৰিছে। আগতে যি সকলে চৰকাৰৰ গাদীত বহিছিল বয়সত আমি হোৱাহলে আমিও তাকে কৰিলোহেতেন। গতিকে গোটেই কথাবিলাক তেখেত সকলে ভুল বুজিব নালাগে। তেওঁলোকে ডেকা লৰা বয়সতো কনিষ্ঠ এওঁলোকৰ বিৰোধ ভাৱে নলৈ কথাবিলাক বিশ্লেষণ কৰি আমাক শুদ্ধপথত পৰিচালনা কৰিব বুলি অনুৰোধ জনালো। আপোনালোকে নিশ্চয় মনত ৰাখিছে ফুদ ক্ৰাইচিচ অৰ্থাত খাদ্যৰ যিটো নাটনি সেইটো আগৰ

*Speech not corrected

চৰকাৰৰ ভুলৰ কাৰণেই হৈছিল। মই আগতে কৈছো জনসাধাৰণৰ স্বাৰ্থক আওকান কৰি দলীয় স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ ৰাইজকে বিপদত পেলোৱা হৈছে। আজি ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থৰ কাৰণে কিছুমান এনে ধৰণৰ কাম কৰা হৈছে যিবোৰৰ দোষ আৱশ্যমভাবী। কংগ্ৰেছ চৰককাৰে ৩০ বছৰ শাসন চলালে আমাক ৫ বছৰো থাকিব নিদিব আৰু দৰ্কাৰ হলে আমিও যাম। সেই কাৰণে প্ৰথম পদক্ষেপতে কিছুমান কাম কৰিবলৈ আমি সদনৰ বাহিৰে ভিতৰে সকলোৰে সহযোগিতা কামনা কৰিলো। আগৰ কংগ্ৰেছ চৰকাৰে যি বৈষম্যৰ সৃষ্টি কৰিলে জনতা চৰকাৰে কোনো ক্ষেত্ৰতে কেতিয়াও তেনে কাম নকৰে এই কথা মই সদনৰ সকলো সদস্যকে জনাব বিচাৰিছো। কাৰণ কংগ্ৰেছ চৰকাৰে অকল কংগ্ৰেছৰ লোকৰহে কাম কৰিছিল। অধ্যক্ষ মহোদয়, খাদ্যবস্তুৰ ক্ষেত্ৰত আমি যদি ১৯৫৩ চনটোক বেচিচ হিচাবে লওঁ তেনেহলে ১৯৭৭ চনত ৪০০.৩ ভাগ বস্তুৰ দাম বৃদ্ধি হৈছে। সকলোৰে বাবে দাম বাঢ়িছে। গতিকে তাক কোনো ধৰণে বাধা দিয়াৰ উপায় নাই। যিখন এচেনচিয়েল কমোদিটি এক্ট সেইখনৰ ভাৰত চৰকাৰৰ লগত সম্পৰ্ক আছে। গতিকে আমি ভাৰত চৰকাৰৰ কংকাৰেন্ত লব লাগে। যি সকল মজুতকাৰী লোক তেওঁলোকে যুগ যুগ ধৰি এই ব্যৱসায় চলাই আছে। নিজৰ স্বাৰ্থৰ কাৰণে আগৰ চৰকাৰে জনসাধাৰণৰ স্বাৰ্থ বিলাই দিছে। উদাহৰণ-স্বৰূপে ২০ জুনত যিটো ৰেপচিদৰ কলঙ্ক হৈছিল সেই সম্পৰ্কে আপোনালোকে জানে। অনুসন্ধান কৰি পোৱা হল কি ধৰণে কি কৰি থোৱা হৈছে। তাৰ পিচত নিৰবাচনৰ আগতে হঠাত যেতিয়া অসমত নিমখৰ নাটনি হল, উপায় নোপোৱা হল, জনতা চৰকাৰক তাৰ কাৰণে জগৰীয়া কৰি প্ৰচাৰ চলালে। আমি কেন্দ্ৰীয় চৰকাৰক নিবেদন কৰিবলৈ বাধ্য হলো আৰু লগে লগে ডবাই ডবাই অসমলৈ নিমখ আহিল আৰু দামো কমি আহিল। এই সম্পৰ্কে প্ৰাৰম্ভিক যি খবৰ পোৱা গৈছে শুনি দুখ পাব কেনেকৈ কি ধৰণে অসমলৈ দিয়া খাদ্য দ্ৰব্য অসমলৈ নাহি বাহিৰতে বিক্ৰী হয়। আমাৰ মানুহে নিমখ খাবলৈ নাপায় হাহাকাৰ কৰিছে কিন্তু সেই নিমখ বাহিৰতে হজমহৈ গল। এই সম্পৰ্কে ব্যৱস্থা লোৱা হৈছে। অধ্যক্ষ মহোদয়, খাদ্য বস্তু সংক্ৰান্তত আগতে যি হিচাব দিয়া হয় সেইটো সকলোৰে বুজি নোপোৱা হিচাব। মই এটা হিচাব দিব খুজিছো ৰিটেইল প্ৰাইচ অৰ্থাত খুচুৰা দামৰ জনসাধাৰণে যেনেকৈ কিনি আছে-চাউলৰ দাম-১.৬০ পইছাৰ পৰা ২ টকা হৈছে আৰু যিটো মিডিয়াম ১.৮০ পৰা ২.২০ লৈ হৈছে। জহা চাউলৰ – -

*শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—এটা পইন্ট অৱ ক্লিয়াৰেঞ্চ। নিমখ এটা গুৰুত্বপূৰ্ণ বস্তু যাৰ কাৰণে সত্যাগ্ৰহ পৰ্য্যন্ত হৈছে। কংগ্ৰেছ চৰকাৰে ফাচিবজাৰৰ মালচান্দ মতিলালক আৰু তেওঁলোকৰ অনুষ্ঠানক তাৰ পাৰ্মিট দিছিল। তেওঁলোকে যিহেতু অন্যায় কৰিছে এতিয়াও তেওঁলোকে কিয় নিমখৰ পাৰ্মিট পাই আছে? এই সম্পৰ্কে কিবা ব্যৱস্থা হব নে?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মই ইতিমধ্যেই কৈছো যে এই সম্পৰ্কত প্ৰাৰম্ভিক অনুসন্ধান হৈছে মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটোৰ গোন্ধ চৰকাৰে পাইছে আৰু সেই সম্পৰ্কত কি আইন সঙ্গত ব্যৱস্থা লব পৰা হয় অনুসন্ধানৰ পিচত সদনত জনাম। এতিয়া চাউলৰ দাম ৩.২০ টকা, মচুৰ দাইল ৩.২০ৰ পৰা ৩.৬০ হৈছে, মুগ দাইল ৩.৯০ৰ পৰা ৪'৮০, অৰহৰ ৪.৮০ৰ পৰা ৫.১০ বুট ৩'১০ৰ পৰা ৩.৬০, চেনি ৩'৫০ৰ পৰা ৩.৬০ হৈছে। হাফলঙত নিমখৰ দাম বাঢ়ি '৭০ পাইছেগৈ, মিঠাতেল ৮.৫০ৰ পৰা ৯'৫০ হৈছে। বনস্পতি ১০.৫০ৰ পৰা ১১'১০ পইচা হৈছে।

*Speech not corrected

শ্ৰীখগেন বৰবৰুৱা ঃ— অধ্যক্ষ মহোদয়, মিঠাতেলৰ কথা যে কৈছে সেইটো ৰেপ চিদ নে কি আৰু সেই তেল খাদ্যৰ উপযোগী হয় নে নহয় ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ—এই তেল ৰেপ চিদ । এই তেলৰ সম্পৰ্কত বহুত ধৰণৰ কথা শুনা হৈছে। পৰীক্ষা-নিৰিক্ষা কৰি যদি ভেজাল বুলি প্ৰমাণ পোৱা হয় তেন্তে বিতৰণ বন্ধ কৰা হব।

অধ্যক্ষ মহোদয়, আপুনি জানে যে প্ৰায় বিলাক কথাৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি তাৰ পৰা সংগ্ৰহ কৰিব লগা হয়। যোৱা বছৰ যিটো অৱস্থা হৈছিল এই বছৰ তাতকৈ বেছি বেয়া হোৱাৰ সম্ভাৱনা আছে। কিয়নো আমাৰ যি এপেক্স মাৰ্কেটিং চোচাইটি বা বিভিন্ন যিবিলাক তেনে অনুষ্ঠান আছে সেই বিলাকে যোৱা বছৰ মুঠেই ধান সংগ্ৰহ নকৰিলে। ভাৰতীয় খাদ্য নিগমে প্ৰায় ২০ হেজাৰ কুইন্টল-মান ধান সংগ্ৰহ কৰি থৈছে। সেই কাৰণে কওঁ যে চৰকাৰৰ ফালৰ পৰা খাদ্য দ্ৰব্য যোগোৱাটো সম্ভৱপৰ নহয়। সেই কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত নিৰ্ভৰ কৰিব লগা হৈছে। ইতিমধ্যে আমি আশ্বাস পাইছো যে সকলো ধৰণৰ খাদ্য দ্ৰব্য আমাৰ ইয়ালৈ পঠোৱাৰ বন্দৱস্ত কৰিছে । এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা নবেম্বৰ মাহত পাইছিলো ১৫ হেজাৰ টন, ডিচেম্বৰ মাহত ২০ হেজাৰ টন, জানুৱাৰীত ২০ হেজাৰ টন, ফেব্ৰুৱাৰীত ২০ হেজাৰ টন, মাৰ্চত পাইছো ২০ হেজাৰ টন আৰু এপ্ৰিলৰ বাবে ৩০ হেজাৰ টন চাউল আমি পাইছো। মচুৰ দাইলকে আদি কৰি আনআন খাদ্য দ্ৰব্যৰ যোগান ধৰাৰ বন্দৱস্ত কৰিছে।

অধ্যক্ষ মহোদয়, অৱস্থাৰ পৰিস্থিতিলৈ লক্ষ্য ৰাখি অসম চৰকাৰে চেন্ট্ৰেল ওৱেৰ হাউচ কৰপৰেশ্যনৰ যোগেদি খাদ্য বস্তু মজুত কৰিবলৈ সিদ্ধান্ত কৰিছে। আনহাতে বাৰিষা আমাৰ ইয়াত ৰাস্তাঘাট আদিৰ পৰা জনসাধাৰণ যি বিপদত পৰে সেই বিপদৰ পৰা ৰক্ষা কৰিবলৈ ব্যৱস্থা কৰা হৈছে। চৰকাৰে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰিছে। যোৱাবাৰ মই যিটো নিজে গৈ ৰেলৰ কুইক মুভমেন্টৰ ব্যৱস্থা কৰি আহিছো আমাৰ ইয়াত যোগাযোগ কৰিবৰ কাৰণে ৰেলৱে জেনেৰেল মেনেজাৰৰ লগত যোগাযোগ কৰি সময় মতে খাদ্য বস্তু অহাৰ ব্যৱস্থা কৰিছো আৰু আমাৰ ইয়ালৈ যি বিলাক বস্তু অহা নাছিল যেনে—চেনি, মিঠাতেল, নিমখ, চিমেন্ট আদিৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। উদাহৰণ স্বৰূপে দেৰগাঁৱত আমাৰ যি চেনি উৎপাদন হয় সেইখিনিয়ে আমাৰ সকলো চাহিদা পূৰণ নকৰে। বোকাজান চিমেন্ট ফেক্টৰীৰ চিমেন্ট আমাৰ চাহিদা পূৰণ কৰিব নোৱাৰে। সেই কাৰণে ওপৰুৱা আৱশ্যকীয়খিনি কেন্দ্ৰীয় চৰকাৰৰ পৰা আনি যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। কেৰাচিন তেলৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত ইতিমধ্যে ব্যৱস্থা কৰা হৈছে। বস্তুৰ মূল্য যিমানদূৰ কমাব পৰা যায় সেই কথা এতিয়া কব নোৱাৰিলেও আমি দৃঢ়ভাবে বিশ্বাস কৰো যে অতি কম সময়ৰ ভিতৰতে মূল্য কমোৱাৰ ক্ষেত্ৰত আমি কৃতকাৰ্য্য হব পাৰিম। অৱশ্যে এই ক্ষেত্ৰত সকলো সদস্যই আমাক বিশেষ ভাবে সহায় কৰিব।

আমি যি সকল মানুহে নগৰত কাম কৰো সেই মানুহ খিনিয়ে কিবা এটা বস্তু নাপালেই হাহাকাৰ কৰি উঠে। কিন্তু যি সকলৰ মাত নাই সেই সকল মানুহে গাঁওত থাকে আৰু তেওঁলোকেই অনেক দুৰ্য্যোগ ভোগ কৰিব লগা হয়। সেই সকল মানুহৰ কাৰণে নতুন জনতা চৰকাৰে বিশেষ ভাবে চিন্তা কৰিব। এই খিনি কৰিবৰ কাৰণে চৰকাৰে প্ৰশাসন যন্ত্ৰটো পূৰ্ণৰ সংগঠণৰ ব্যৱস্থাৰ কথা ইতিমধ্যে চিন্তা কৰিছে। এই ক্ষেত্ৰৰ মাননীয় সদস্য সকলৰ পৰামৰ্শ বৰ মূল্যবান হব বুলি ভাবো। কিন্তু চৰকাৰে

*Speech not corrected

ইতিমধ্যে দুটামান সিধান্ত ইতিমধ্যে গ্ৰহণ কৰিছে। সেই কেইটা হৈছে আমাৰ যিবিলাক সুলভ মূল্যৰ দোকান আছে সেই বিলাক আজিকালি বস্তুবোৰ নিনিয়ে। সেই কাৰণে আমি চিন্তা কৰিছো সেইবোৰ যদি পুনৰ সংগঠণ কৰি লব নোৱাৰো তেন্তে আমাৰ যিটো ষ্টেটফেড্ অৰগেনাইজেচন আছে সেইবোৰৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰা হব আৰু যিবিলাকে টকা পইচাৰ অভাবত কাম কৰিব পৰা নাই সেইবোৰ উন্নত কৰাৰ চিন্তা কৰা হৈছে।

অধ্যক্ষ মহোদয়, আমি জানিব পাৰিছো যে তিনিহতীয়া-চাৰিহতীয়া কাৰবাৰ বোৰ ভাল নহয় যাৰ ফলত বস্তুবোৰ সময় মতে আহি নাপায়। এইবোৰৰ পৰা হাত সাৰিবৰ ব্যৱস্থা ইতিমধ্যে চৰকাৰে কৰিছে। ষ্টেটফেদ কৰপৰেশ্যন, এফ, চি, আই আৰু চেন্ট্ৰেল উৱেৰ হাউচ কৰপৰেচন এই সকলোবিলাক এটা কো-অৰদিনেট বডি হিচাবে কৰি বিতৰণ কৰাৰ ব্যৱস্থা কৰি ৰাইজক সকাহদিয়াৰ ব্যৱস্থা কৰা হৈছে। আনহাতে উপাধ্যক্ষ মহোদয়, আমি বিবেচনা কৰিছো আমাৰ যিটো সৰিয়হৰ উৎপাদন হয় সেইটোৱে আমাৰ চাহিদা পূৰণ কৰিব নোৱাৰে। আনহাতে আমাৰ যিসকল কৃষক তেঁওলোকে তাৰ উচিত মূল্য নাপায়।

সেইকাৰণে আমি চিন্তা কৰিছো এই বাৰৰ পৰা যদি সম্ভৱপৰ হয় তেতিয়াহলে আমি ষ্টেটফেদৰ জৰিয়তে ৰাইজক প্ৰকৃত মূল্য দি সৰিয়হ সংগ্ৰহ কৰিম আৰু অঞ্চলে অঞ্চলে যি ধৰণেৰে ব্যৱস্থা কৰিব লাগে সেই মতে ব্যৱস্থা কৰি বাকী যিখিনি বস্তু বাহিৰৰ পৰা আনিব লগীয়া হয় সেইখিনি আনি আমাৰ চাহিদা পূৰণ কৰাৰ কথা ভাবিছো।

শ্ৰীখগেন বৰবৰুৱা ঃ—সৰিয়হ যেতিয়া কিনাৰ কথা কৈছে, আমি ভাবিছো আমাৰ ইয়াতে মিঠা তেলৰ মিল কৰাও দৰকাৰ। এই মিলৰ জৰিয়তে তেল উলিয়াই বিশুদ্ধ জনতা তেল বুলি নকলেও বিতৰণ কৰাৰ ব্যৱস্থা কৰিলে ভাল হব। বঙ্গদেশত ইতিমধ্যে এইদৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীঃ— আমাৰ সৰিয়হ এইবাৰ ইতিমধ্যে বিক্ৰি হৈয়ে গল।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ—এইবাৰ কৰিব পৰাটো সম্ভৱপৰ নহব। অহা বছৰৰ পৰাহে কৰাৰ কথা ভাবিছো। সেইকাৰণে মই কৈছো আমাৰ মাননীয় সদস্য শ্ৰীবৰবৰুৱা ডাঙৰীয়াই যিটো কথা কৈছে সেইদিশত আমি ইতিমধ্যে চিন্তা কৰিছো। সেইকাৰণে মোৰবিস্বাস আগৰতো এটা পৰামৰ্শ আছে সেইমতে আমি এটা কথা চিন্তা কৰিছো। আমাৰ আগৰ যিখন ষ্টেট চাপ্লাই এডভাইচৰী বোৰ্ড আছে আৰু চাবডিভিজনেল এডভাইচৰী বোৰ্ড আছে এই খনপুনৰ গঠন কৰি ৰাইজক সহায় কৰাৰ কথা এই চৰকাৰে চিন্তা কৰিছে।

অধ্যক্ষ মহোদয়, খাদ্যৰ সম্পৰ্কত আমি বিশেষ কথা কব নিবিচাৰো। ইয়াৰ পিচত গড়কাপ্তানী বিভাগৰ সম্পৰ্কত কেইটামান কথা কব বিচাৰিছো। মাননীয় সদস্য সকলে এই বিভাগটোৰ ওপৰত বহু ধৰণেৰে আলোচনা সমালোচনা কৰিছে। এইটো ঠিক যে গড় হিচাবত অসমত যি ধৰণেৰে ৰাস্তা-পদূলি হব লাগিছিল সেই ধৰণে হোৱা নাই। নোহোৱাৰ কাৰণ বহুত! নোহোৱাৰ কাৰণ যে বহুত এইটোৰ ব্যাখ্যা মই এতিয়াই নিদিও। সময়-সুবিধা হলে সকলো তথ্য-পাতি আপোনালোকৰ ওচৰত দাঙি ধৰিম।

* (Speech not corrected)

বহুতো প্ৰশাসনীয় কেৰোণকে আৰম্ভ কৰি কন্সণ্ট্ৰাকচনত যিবিলাক বৈজ্ঞানিক পদ্ধতি প্ৰযোজ্য কৰিব লাগে সেইমতে কৰা হোৱা নাই।বছৰি অনুদান আদিৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ খেলি মেলি থকাৰ কাৰণে এইবিলাক দিশত কাম নোহোৱাকৈ আছিল। আৰু অসমৰ ভৌগলিক পৰিবেশতো ৰাস্তা-পদূলি আদি কৰা কামত বহুতো অসুবিধা আহি পৰে। সেই কাৰণে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমত ৰাস্তা-পদূলি আদি কৰাত বহুতো অসুবিধা আছে। সেই কাৰণে আমি চিন্তা কৰিছো আৰু কেন্দ্ৰীয় চৰকাৰক জনাই দিছো এই ক্ষেত্ৰত বিশেষ ভাৱে ব্যৱস্হা গ্ৰহণ কৰিব লাগিব আৰু বিশেষ ভাৱে আমাক টকা-পইচা দিব লাগিব। সেই কাৰণে আমি চৰকাৰে এটা হিচাব কৰিছো যি নীতিৰে আমাৰ ৰাস্তা-পদূলি বিলাক কৰা হৈছে সেই নীতি বিলাক দোষণীয় আমাৰ যিখন ৰোড এডভাইচৰী বোৰ্ড বহে সেই বোৰ্ডে প্ৰত্যেকটো সমষ্টিতে হিচাব কৰি টকা-পইচা দি দিয়ে। কিন্তু তাৰ পৰা দেখা গল যিবিলাক উন্নত সমষ্টি উন্নত হৈ গল আৰু যিবিলাক পিচপৰি থকা সমষ্টি পিচ পৰিয়েই থাকিল। সেই কাৰণে আমি আপোনালোকৰ পৰামৰ্শ সাপেক্ষে সিদ্ধান্ত কৰিব বিচাৰিছো যে কোন কোন মহকুমা কেনেধৰণেৰে পিচপৰি আছে সেই মতে অনুদান দিয়া হব। সেইমতে দেখা গৈছে ধেমাজী আৰু হাইলাকান্দি মহকুমা অতিকৈ পিচপৰি আছে। তাৰ পিচতে, ধুবুৰী, গোৱাল-পাৰা. মৰিগাওঁ, তাৰ পিচত শিলচৰ তাৰ পিছত হামৰেণ এই ধৰণেৰে এটা ব্যৱস্হা কৰা হৈছে। গতিকে মই ভাবো আমি এই ধৰণেৰে পিচপৰা মহকুমা বিলাক উন্নত কৰিব লাগিব।

**শ্ৰীচন্দ্ৰ বাহাদুৰ চেত্ৰী** ঃ—মাৰ্ঘেৰিটা আৰু ডুমডুমাৰ হিচাব ইয়াত নাই নেকি ?

***শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী)** ঃ—আছে. বেছি পিচপৰাখিনিৰ কথাহে কোৱা হৈছে। সেই কাৰণে আমি পৰামৰ্শ দিব বিচাৰিছো যে এই সম্পৰ্কত ৰাজনৈতিক বিবেচনাৰ ওপৰত ভিত্তি নকৰি প্ৰকৃত প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি ইয়াৰ যোগেদি অৰ্থনৈতিক মানদণ্ড উচ্চ কৰি ৰাইজৰ সহায় কৰিব পাৰো তেনে ধৰণেৰে বিবেচনা কৰি আমি ৰাস্তা-পদূলি কৰাৰ দৰকাৰ। সেই কাৰণে আমি ভাবিছো ৰোড বোৰ্ড বহি সদস্য সকলৰ মতামত লৈ আমি কাম কৰা উচিত হব। আনহাতে প্ৰশাসনীয় যিটো যন্ত্ৰ আছে গড়-কাপ্তানী বিভাগৰ, এইটো নতুন ধৰণেৰে সজাবলৈ বিচাৰিছো। এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ এটা আয়োগ বহিছিল। সেই আয়োগে কিছুমান পৰামৰ্শ আগবঢ়াইছিল আৰু সেই মতেই কাম কৰি আন আন ৰাজ্য বিলাক বহুত আগবাঢ়ি গল। অসমৰ ক্ষেত্ৰত এইবিলাক কিয় প্ৰযোজ্য নহঁল সেইটো কব নোৱাৰো। আমি ইতিমধ্যে প্ৰশাসন ফাইলৰ মাজত আবদ্ধ নাৰাখি ফিল্ডত কাম কৰাৰ ব্যৱস্হা কৰি. যথাযথ চুপাৰভাইজ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। আনহাতে আমাৰ সকলোৱে কৈছে যে আমাৰ দুটা ৰাস্তায়ে সংযোগৰ পথ। এটা নেচনেল হাইৱে, আৰু আনটো হল এন, টি ৰোড ! যোৱা ৩০ বছৰে বহুত ক্ষেত্ৰত বহু ফালৰ পৰাই কাছাৰ বাদ পৰি আহিছে। সেইকাৰণে কাছাৰক নেচনেল হাইৱেৰ লগত সংযোগ কৰিবলৈ অহা বছৰত চৰকাৰে ব্যৱস্হা গ্ৰহণ কৰিব। আৰু এন, টি, ৰোডটো নেচনেল হাইৱে লৈ নিবলৈ ইতিমধ্যে ব্যৱস্হা কৰা হৈছে। মই আশা ৰাখিছো কম সময়ৰ ভিতৰতে এই ৰাস্তাটো সম্পূৰ্ণ ভাবে নেচনেল হাইৱেলৈ ৰূপান্তৰিত কৰিব পাৰিম। আৰু কেন্দ্ৰীয় চৰকাৰেও এই মতৰ সাপেক্ষে আছে। আনহাতে আমাৰ যিবিলাক বোৰডাৰ ৰোড আছে, এইবিলাকক যথেষ্ট টকা পইচা দি আহিছে কিন্তু এতিয়ালৈকে সম্পূৰ্ণ হৈ উঠা নাই। তথাপি এতিয়াও বোৰডাৰত যাতায়তৰ অসুবিধা হৈয়ে আছে। আমাৰ চৰকাৰে এইটো পুনৰ প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছে আৰু মই আশা ৰাখিছো আমাৰ মাননীয় সদস্য সকলেও ইয়াত সহযোগ আগবঢ়াব।

* (Speech not corrected)

আমাৰ ইয়াত ষ্টেট বোৰ্ড বহি লৈ আঁচনি নিৰ্দ্ধাৰণ কৰাৰ পিচত আচলতে যিবিলাক কাৰ্য্যকৰী কৰিব লাগিব সেইবিলাক কৰা হব আৰু যিবিলাক পিচ পৰা অঞ্চল সেইবিলাক আগবঢ়াই নিবলৈ চেষ্টা কৰা হব। সেইকাৰণে আমি ভাবিছো মহকুমা পৰ্য্যায়ত চাব-ডিভিজনেল এডভাইচৰী বোৰ্ড কৰি মাননীয় সদস্য সকলৰ পৰামৰ্শ লৈ কাম বিলাক যাতে ভাল ধৰণেৰে হয় তাৰ ব্যৱস্হা কৰা হব আৰু শাসন-যন্ত্ৰৰ ওপৰত চকু ৰাখিব পৰা ব্যৱস্হাৰ কথা চৰকাৰে চিন্তা কৰিছে আৰু এইটো কৰিলেই আমাৰ কামবিলাক সুচাৰুৰূপে চলাব পৰা হব বুলি ভাবো।

শ্ৰীআলাউদ্দিন চৰকাৰ ঃ—মই মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো সেইটো হৈছে ৩১ নং ৰাষ্ট্ৰীয় পথটো ঠায়ে ঠায়ে বিপন্ন হৈ গৈছে। জাকিয়াৰ পৰাবেলগুৰিলৈকে গৰাখহনীয়াত পৰিছে। আৰু তাৰ যিখন দলং আছে সেইখনৰো অৱস্হা বেয়া, আৰু আলি-পদুলি বিলাকৰো অৱস্হা একেবাৰে বেয়া

মিঃ স্পীকাৰ ঃ—আপুনি ভাষণ নিদিব। এইবিলাক বাজেট অধিবেশনত ভালদৰে আলোচনা কৰিব।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ মাননী সদস্য গৰাকীয়ে যিখিনি কথা কৈছে সেইখিনি আমি বিবেচনা কৰিম। ব্ৰহ্মপুত্ৰৰ ওপৰত দলঙৰ কথা আমি দাঙি ধৰিছো আৰু এন, ই. চিয়েও দাঙি ধৰিছে। এইটো আমি কব পাৰো যে, আমাৰ আগৰ চৰকাৰৰ আমি কাম পেলাই নাৰাখো। এই সম্পৰ্কে আমি প্ৰথমেৰে পৰা বিহিত ব্যৱস্হা লম। শিলঘাট আৰু যোগিঘোপাত আমি কাম আৰম্ভ কৰিম।

শ্ৰীমুকুট শৰ্ম্মা ঃ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হোৱা কথাটো কৈছে, শিলঘাটৰ দলংৰ ক্ষেত্ৰত এন. ই. চিও আগবাঢ়ি আছে। কিমান দিনৰ ভিতৰত এই কাম আৰম্ভ হব?

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ এই সম্পৰ্কে প্ৰাৰম্ভিক কথাহে আছে। অহা বছৰৰ পৰা কাম আৰম্ভ কৰিম বুলি আশা কৰিছো ।

শ্ৰীখগেন বৰবৰুৱা ঃ যোগীঘোপা, শিলঘাট আৰু ডিব্ৰুগড়ত দলং নিৰ্ম্মাণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক কিবা চৰ্ত্ত দিছে নেকি?

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ তেনেকুৱা কোনো কথা হোৱা নাই দলংৰ কাৰণে যি টকাৰ প্ৰয়োজন সেই সকলো খিনি কেন্দ্ৰীয় চৰকাৰে দিব। গতিকে মই আশা কৰিছো আপোনালোকৰ সহযোগ পালে এই কামত আমি সোনকালে আগবাঢ়িব পাৰিম। ৰাজধানী নিৰ্ম্মাণৰ ক্ষেত্ৰত আগৰ চৰকাৰৰ দিনৰ যি বিলাক অনুমোদন সেই বিলাক আহিছে। আমি সেই বিলাক পৰীক্ষা নিৰিক্ষা কৰি চাব লাগিব। তাৰ পিচতহে এটা সিদ্ধান্ত লব পৰা হব ।

শ্ৰীমুকুট শৰ্ম্মা ঃ যোৱা ১৫ মাৰ্চ তাৰিখৰ অসম ট্ৰিবিউনত ৰাজধানী দিশপুৰতে হব বুলি ওলাইছে। এইটো কথা সচাঁনে ?

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ আমি সেই সম্পৰ্কে একো সিদ্ধান্ত লোৱা নাই। আমাৰ এগৰাকী মাননীয় সদস্যই জেইল সম্পৰ্কে উত্থাপন কৰিছে। আমি আৰু আমাৰ মুখ্য-মন্ত্ৰীও জেইলৰ ভুক্তভোগী। আধা জীৱন জেইলত গৈছে। গতিকে জেইলৰ সংস্কাৰৰ কাম তৎপৰতাৰে হাতত লৈছো আৰু এই সম্পৰ্কে বিহীত ব্যৱস্হা লবৰ কাৰণে চৰকা-

ৰৰ পৰামৰ্শ দিবলৈ হাইপাৱাৰ জেইল ৰিফমচ্ কমিচন কৰিবলৈ লৈছো। জেইল পূনৰ সুসংগঠিত হৈ প্ৰশাসন নিক্কা কৰি আমি কৃতকাৰ্য্য হব পাৰিম।

শ্ৰীচামচন্দ্ৰ হন্দা : মন্ত্ৰী মহোদয়ে কৈছে যে অসমত যি খিনি কেৰাচিন তেল লাগে সেই চাহিদা অসমৰ তেলেৰে পূৰাব নোৱাৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিব। আমাৰ অসমত উৎপাদিত হোৱা কিমান তেল বাৰাউনীলৈ পঠোৱা হৈছে ?

শ্ৰীগিয়াচুদ্দিন আহম্মদ : মই তিনিটা পইণ্টকৰণ বিচাৰিছো। যোগান মন্ত্ৰী মহোদয়ে কৈছে যে আমাৰ ইয়াত উৎপন্ন হোৱাৰ বাহিৰেও যি খিনি চেনী লাগে সেই খিনি কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা হব। তেনেকৈ চিমেণ্ট যি খিনি ঘাট পৰিব সেই খিনি বাহিৰৰ পৰা অনা হব। চাউলৰ ক্ষেত্ৰতো কেন্দ্ৰৰ পৰা সহায় পোৱা হৈছে। চাউলৰ ক্ষেত্ৰত মই জনাব খুজিছো যে অসমত কিমান চাউল উৎপাদন হয় আৰু কিমান ঘাটি পৰে সেই কথাটো চৰকাৰে জনাব লাগে। যদি ঘাট পৰিছে কিহৰ কাৰণে ঘাটি পৰে চৰকাৰে তদন্ত কৰিবনে? দুই নম্বৰ কথাটো হৈছে ৰাস্তা পদূলি উন্নয়ণৰ ক্ষেত্ৰত মহকুমা বিলাকৰ তালিকা বনোৱা হৈছে। কিভিত্তিত এইটো কৰা হৈছে ? তিনি নম্বৰ কথাটো হৈছে যোগীঘোপাত দলং কিমান দিনৰ পিচত হব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : কেৰাচিন তেলৰ কথাটো এই যে আমাৰ দুই শোধনাগাৰে উৎপন্ন কৰা তেলে আমাৰ চাহিদা পূৰণ কৰিব পৰা নাই। গতিকে বাহিৰৰ পৰা আনিব লাগে। সেইকাৰণে আমাৰ উতপাদিত তেলে নজুৰিলে বাহিৰৰ পৰা আনিব লগা হয় দামৰ ক্ষেত্ৰত আমাৰ ইয়াৰ তেলৰ দাম কম। শ্ৰীআহমদ ডাঙৰীয়াই উৎপাদন সম্পৰ্কত যিটো ষ্টেটিকচ্ সেইটো জানে।

এই সম্পৰ্কত অনুসন্ধান কৰি থকা হৈছে। মাননীয় সদস্যসকলে সহযোগ আগবঢ়ালে নথৈ সুখী হম। দলং সম্পৰ্কত কও যে বস্তুটো আমি কেন্দ্ৰৰ পৰা আনিব লাগিব। দেভেলপমেণ্ট কাউন্সিলৰ ফলৰ পৰা এটা প্ৰজেক্ট লৈছে ৭ ফেইজ মেনাৰত যাব লাগিব। আমাৰ প্ৰাপ্য বস্তুটো ভিক্ষা কৰি নানো। আমাৰ প্ৰাপ্য বস্তু জনতা চৰকাৰৰ পৰা আদায় কৰি লম।

*Shri JAGANATH SINGH (Minister).—Mr. Speaker Sir, in my reply on the Governor's address I do not want to kill your time much. So far the Labour Policy is concerned, the policy Statement given in the Election Manifesto will be followed in to to by this Government and the interest of the labourers shall be protected in all possible ways and the policies of the Government would be impartial irrespective of any part affiliation. Sir, I am sorry to state that in the last 6 years this department, particularly, L bour Department has been neglected like anything. The head of the department was very much busy with salt and wheat. As a result the head of the department became fatter and fatter and labour became thinner and thinner. So far as plantation labour is concerned there has been negligence about road, sanitation crickes, canteens etc. Provisions of all these facilities of the tea garden come under the Plantation Labour Act. Sir, effective steps shall be taken so that it is actually implemented. Sir, there has been enough shrinkage in employment and casual labourers and 'thika' labourers have increased. We are very much interested that steps should be taken to reduce the member of casual labourers, rather we want to stop it and make them permanent. Sir, in the year 1972 Chatterjee Commission

* Speech not corrected

was set up and the recommendation was that the employment level shall be maintained as on 1969. But I am sorry to say that it has not been maintained. I assure you that we will take all possible steps so that this is maintained. Sir, as regards the question of unemployment benefit to the unemployed persons of our State is concerned, Sir, I would have been very happy to declare such benefit but I am sorry to say that it would not be possible for us because financial implication is very high. However, we will have to examine whether we will be able to bear the burden on this account. Sir, the matter is serious, no doubt and it will be receiving serious attention.

Sir as regards the complain made by some hon'ble members that justice delayed means justice denied, I can assure that steps shall be taken to expedite judgement. To settle the industrial disputes step would also be taken.

শ্ৰীবিপিন হাজৰিকা ঃ অধ্যক্ষ মহোদয়, কিছুমান চাহ কোম্পানীত যি কোনো বিজ্ঞাপন নিদিয়াকৈ একজিকিউটিভ কেডাৰত বাহিৰৰ পৰা শিক্ষাগত অৰ্হতা থকা থলুৱা লোকক বঞ্চিত কৰি নিযুক্তি দিয়ে। এই বিষয়ে দৃষ্টিগোচৰ কৰা হৈছিল। সেই বিষয়ে ততকালীন ব্যৱস্হা লৈছেনেকি?

Shri JAGANATH SINGH. (Minister)—Mr Speaker Sir, Employment Exchange Act is a defective one and my hands are tight because this is a Central Act. The employers shall have to notifiy the vacancies to the Employment Exchange but under the provision of the Act he is not bound to employ persons from the list submitted by the Employment Exchange. Yet I assure the Hon'ble Members that all possible steps would be taken so that people of the State get chances in employment not only in tea industry but also in all industries in this State.

শ্ৰীবিপিন হাজৰিকা ঃ এই বিষয়ত আগতে ৰোষ্টমজীয়ে কোম্পানীক এখন চিঠি দিছিল কেনেকৈ থলুৱা লোকক নিযুক্তিৰ সুবিধা দিব লাগে। সেই নথি পত্ৰ দিয়া হৈছিল। মই ভাবো নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰে নিশ্চয় ব্যৱস্হা লব পাৰে আৰু লোৱা উচিত।

Shri JAGANATH SINGH. (Minister)—Sir, there is no law in our country through which we can take steps to prevent outsider..

শ্ৰীশশকমল সন্দিকৈ ঃ নিয়োগ বিনিময় কেন্দ্ৰ বিলাকত নাম পঞ্জীভূক্ত কৰিবৰ সময়ত স্হানীয় যুৱক বুলি প্ৰমাণ পত্ৰৰ প্ৰয়োজন হয়। এইটো কিয় কৰা হয় ?

শ্ৰীবিপিন হাজৰিকা ঃ মন্ত্ৰী মহোদয়ক ইয়াৰ লগত নিয়োগ বিনিময় কেন্দ্ৰৰ এব্স-ট্ৰেকট দিছিলো। বিবেচনা কৰি চাই নিশ্চয় ব্যৱস্হা লব পাৰে।

Shri SHAMSUL HUDA·—Sir, it is quite mischievious, how he can say the Act is defective ?

Mr. SPEAKER.—He cannot bind the employer to employ.

(Voices - 'what is the definition of local ?)

*Shri JAGANATH SINGH. (Minister)—The policy of this Government in the matter of employment will be given more stress mainly on small scale and cottage industries based on rural industries and we will create employment opportunities.

* (Speech not corrected)

Sir, district industrial centres will be opened and almost in a the districts of this State atleast one entrepreneur will get all sorts of facilities for the growth of industries. Sir, another question has been raised as to whether the infra-structure is first and industries next or industries first, infra-structur next. I feel the infra-structure is the first thing because only when infra-structure is created industry can come up. That is why we are givin more stress on it. Sir, as regarde Cachar Sugar Mill a reference has been made and I like to inform the Hon'ble members that an enquiry is going to be instituted. As regards the Everest Cycle Factory, it is a matter of regret that the factory is closed during the last 6 years but worker were being paid as wages. In this regard all possible steps would be taken. So also in the case of Hard Board factory of Assam, we are taking necessary steps. Sir, regarding the third refinery it is expected to complete in 1984. Sir, it is apprehended and it is quite natural that the balance crude oil will go outside the State. But we can assure that we shall take all possible steps so that excess cruide is refined here and I hope I will get all cooperation from the Hon'ble members in this respect. Now, Sir, the main policy of this Government will be that it would set up more industries with available resources based on rural resources so that rural areas can be developed and more employment opportunities can be made available in cooperation with the Hon'ble members and in collaboration with Centre. With these words I conclude.

*Shri DEWAN JAINAL ABEDIN : Sir, I want one clarification. The Assam Glass Factory is a Government undertaking which was established in 1973 at the cost of Rs. 4 lakhs This glass factory has got valuable market in the whole eastern region. But I want to know from the Hon'rable Minister why in spite of getting monopoly market in the whole of the eastern region this important glass factory is incurring losses ?

Shri JAGANNATH SINGH (Minister) : Sir, in this respect I want a separate notice.

Mr. Speaker : You give a separate notice.

Shri JAGANNATH SINGH, (Minister) : However Sir, I will look in to the matter

*Shri KHAGEN BORBARUA: Mr. Speaker, Sir, I would like to bring certain facts to the notice of the Hon'ble Minister regarding tea-garden-labourers. Some Tea Gardens of Assam have driven out the old labourers and in their place new labours are engaged. These labourers are coming from Jhansi and these new labourers wages are much less than the old labourers. Therefore, Sir, they prefer to engage them in place of old labours. I can cite several instances where these labours are engaged. Sir, in Borsella and other tea Gardens these

* (Speech not corrected)

abours are engaged. If the Hon'ble Minister makes an enquiry, then he will be able to know the position clearly. If the enquiry is made then I will also assist in this respect.

Shri JAGANNATH SINHA (Minister) :- It may be so, Sir, and I agree with the Hon'ble Member.

শ্ৰীদেৱান জয়নাল আবেদীন ঃ— মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে দুই তিনিবাৰ চাৰ্জ কৰাৰ পিচত এতিয়া নামৰূপ সাৰ কাৰখানাৰ কৰ্মচাৰী সকলে কামৰ পৰা বিৰত আছে আৰু যোৱা কালিৰে পৰা গুৱাহাটী ছপাখানাৰ কিছুমান কৰ্মী ছাটাই হৈছে এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে কি পৰিস্থিতি তেনেকুৱা হবলৈ পালে সদনত জনালে সুখী হম ।

শ্ৰীজগন্নাথ সিংহ (উদ্যোগ মন্ত্ৰী) ঃ—বেলেগে নোটিচ লাগিব ।

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী ঃ— এভাৰেষ্ট চাইকেল কোম্পানী ক্লজ কৰা হৈছে।আৰু এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ পৰা এটা ব্যাখ্যা বিচাৰিছো।

শ্ৰীজগনাথ সিংহ (উদ্যোগ মন্ত্ৰী)— আগৰ পৰাই বন্ধ হৈ আছে। এতিয়া নহয়।

*Shri RAMESH MOHAN KOULI (Minister) :-Mr. Speaker, sir, in reply to certain points raised by the Hon'ble Members in the Governor's Address, I would like to clarify the position regarding the flood control department. Sir, during 1977-78 the ceiling of expenditure for the flood control works in the Brahmaputra Valley was initially fixed by the Government of India at Rs. 600 lakhs but after the visit of the central team to Assam during the floods of 1977 for its assessment an additional allocation of Rs. 175·70 has been made thereby raisding the total allocation to Rs. 775·70. There are 36 nos. of schemes continuing from the fifth plan and 82 nos proposed during the year.

The total number of embankment constructed in the Brahmaputra Valley so far is approximately 3200 k. m. of which 760 k. m. is along the Brahmaputra and 2440 along the tributaries. Then, Sir, the State plan outlay for the flood control works in the Barak Valley for 1977-78 is Rs. 266 lakhs. The total length of embankment constructed so far in the Barak Valley is 576 k. m. of which 189 k. m. is along the Barak and remaining 387 k. m. is along the tributaries.

Shri PREMODHAR BORA : These are not new schemes.

*Shri RAMESH MOHAN KOULI (Minister) :- Yes, sir, these are not new schemes. They are continuing schemes. I am reading it out. But we have taken steps to examin the entire workings of the flood control department. Then, sir, it is felt that the flood problem in the Barak Valley can be tackled more effectively if the Barak Dam project is implemented. So, we are examining the problem. The flood control works in the hill aeas comprise mainly of protection of important places against erosionr as well as an embankment along the Kopili in the southern parts of the Karbi Anglong District. Then, sir the flood control department has already take up measures for

* (Speech not corrected)

closing the gaps, as well as providing sluices in a phased manner. Then, sir, certain Hon'ble Members have mentioned about the payment of compensation for construction of dams etc. Sir, we have decided to take up the matter. As regards other matters raised by the other Hon'ble Members, our Hon'ble Chief Minister will cover their points in course of his speech.

(ভইচ ঃ নতুন আউটলুক লব লাগে)

*** শ্রীঅতুল চন্দ্র গোস্বামী ঃ—** আজি চাৰি পাঁচ বছৰ ধৰি শিলঘাট ধিংঘাট মথাউৰিটো বৰমোলাত ভাঙি আছে। অলপ পানী হলেই সোমাই আৰু ওলাই যাব নোৱাৰে ফলত এই তিনি ফাৰ্লং ভঙাৰ কাৰণে শালিখেতি, মৰাপাট খেতি নহয় আনকি সৰিয়হ আদিও অধিক হব নোৱাৰে। এইবাৰ পানী সোমোৱাৰ আগতে এই বান্ধটো বন্ধা হব নে নহয় সেইটো এটা পৰিস্কাৰ কথাত জনাব লাগে।

*** শ্রীখগেন বৰবৰুৱা ঃ—**যোৱা চৰকাৰৰ দিনত জাপানৰ পৰা অনা ড্ৰেজাৰ দুখন অলপ কাম কৰিলেই হেনো বেয়া হয় আৰু পাৰ্টচ্ পাবলৈকো নাই বৰ্ত্তমান এই দুখন কি কৰা হৈছে জনাব লাগে।

*** শ্রীৰমেশ মোহন কোলি (জলসিঞ্চন মন্ত্ৰী) ঃ—** মাননীয় সদস্য শ্রীঅতুল চন্দ্ৰ ডাঙৰীয়াই লিখিত ভাৱে দিয়া এই কথাটো বিভাগৰ লগত আলোচনা কৰি কি কৰিব পাৰি চাম। ড্ৰেজাৰ সম্পৰ্কে কওঁ যে আগৰ চৰকাৰে কিয় কিনিছিল আৰু এই বগাহাতী দুটা কত কেনেকৈ আছে সেইটো তদন্ত কৰি জনাম।

শ্রীগোলাপ **বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—**মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত দীঘলীয়া ব্যাখ্যা এই সদনত হল তাৰ ওপৰত বিৰোধী দলৰ, জনতা দলৰ, জনতা দলৰ সমৰ্থক দলৰ বিভিন্ন জন প্ৰতিনিধিয়ে বক্তৃতা আৰু পৰামৰ্শ-সমালোচনা দিলে সেই বিলাক আমি শুনিলো আৰু সেই বিলাক আমি নিশ্চয়কৈ উপলব্ধি কৰিছো। ৰাজনৈতিক ফালত সেই আলোচনা কৰিছিল শাসক দলক সমালোচনা কৰাৰ কাৰণে ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্রীশৰত চন্দ্ৰ সিংহ ডাঙৰীয়াই। বিশেষকৈ যোৱা বিধান সভাৰ নিৰ্বাচনৰ ফলাফলৰ ওপৰত আৰু তেখেতৰ ঠিক সৰতে আমাৰ চি-পি-আই দলৰ বন্ধু শ্রীপ্ৰমোদ গগৈ ডাঙৰীয়াইও কৈছিল যে আজিৰ চৰকাৰ এটা মাইনৰিটিৰ চৰকাৰ, মাত্ৰ সাতাইশ শতাংশ ভোট পাই জনতা দলে চৰকাৰ গঠন কৰিছে। জনতা দলে যদি সাতাইশ শতাংশ ভোট পাইছিল জনতাক আন যি সকলে সমৰ্থন আজি দিছে সেই সকল সদস্যই পোৱা ভোটৰ কথাও ধৰিব লাগিব আৰু যিসকল নিৰ্দ্দলীয় প্ৰাৰ্থীয়ে আগৰ শাসক দল কংগ্ৰেছৰ বিৰোধিতা কৰি নিৰ্বাচনত জয়লাভ কৰি আহিছে সেই সকলে পোৱা ভোটৰ সংখ্যাও ধৰিব লাগিব।

মাননীয় সদস্য বন্ধু প্ৰমোদ গগৈ ডাঙৰীয়াই এষাৰ কথা কৈছিল যে কংগ্ৰেছ ২ ভাগ নোহোৱা হেতেন জনতা চৰকাৰ বোধ কৰো অসমত গঠন নহলহেতেন।

শ্রীগিয়াচুদ্দীন আহমদ ঃ— তেখেতে তেনে দৃঢ় কোৱা নাই নেকি ?

শ্রীগোলাপ চন্দ্ৰ **বৰবৰুৱা** (মুখ্যমন্ত্ৰী) ঃ-তেখেতৰ বক্তৃতা মই শুনিছো, ৰাজনীতি আৰু অংক শাস্ত্ৰ বেলেগ বস্তু, ৰাজনীতিত ২+২ —৪ নহয়, আপোনালোকে জানে ৰেডডী

কংগ্ৰেছ শাসনত আছিল । ইন্দিৰা কংগ্ৰেছ ৰেড্ডী কংগ্ৰেছৰ বিৰোধীতা কৰিছিল কাৰণে লগতে অন্যান্যৰও ইন্দিৰা কংগ্ৰেছৰ নামত গল ।

শ্ৰীমুকুট শৰ্মা ঃ— ৰেড্ডী কংগ্ৰেছ নকৈ ইন্দিয়ান নেশ্যনেল কংগ্ৰেছ কলে ভাল হয়।

শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—প্ৰমোদ গগৈ ডাঙৰীয়াই যিটো কৈছে যে জনতা দলে নাপালেহেতেন এই কথাটো থিক সচাঁ নহয় ।

তাৰ পিচত পি, টি, চিৰ উদয়াচলৰ দাবীৰ কথা কোৱা হৈছে। কংগ্ৰেছে এই দীঘলীয়া ৩০ বছৰ শাসনৰ পাচত অসম ৰাজ্যখনক খন্ড-বিখন্ড কৰি আমাৰ পিছপৰা জাতি আৰু অনুসূচিত জনজাতিৰ লোক সকলৰ মাজত অসন্তুষ্টিৰ ভাব পৰিলক্ষিত হৈছে। আৰু তাৰ ফলতেই কংগ্ৰেছৰ ৩০ বছৰ শাসন কালৰ পাচত নগালেন্ড, মেঘালয়া আৰু মিজোৰাম পৃথক হৈ যাব লগীয়া হল। কিন্তু আমাৰ জনতা দলে আজি কেতিয়াও নিবিচাৰে যে অসমৰ জনজাতিয় সকল অসমৰ পৰা আঁতৰি যাওক বৰং বিচাৰে তেখেত সকল আহি অসমত সৌহাৰ্দ্দপূৰ্ণ মনোভাবেৰে বিৰাট অসম ৰাজ্যখন সুন্দৰ কৰি তোলক। তেখেত সকলে এই বিষয়ত কিয় উদয়াচলৰ দাবী কৰিছিল তাৰ কাৰণ হল তেওঁলোকৰ অতিকৈ পিচপৰি থকা অৱস্থাৰ পৰা তেওঁলোকক উদ্ধাৰ কৰাৰ কোনো ব্যৱস্থা এই কংগ্ৰেছ চৰকাৰে ইমান দীৰ্ঘ দিনেও নললে আৰু তেওঁলোকৰ ওপৰত শোষনহে চলালে আৰু সেই কাৰণেই তেখেত সকলৰ মনত অসন্তুষ্টিৰ ভাবে দেখা দিছিল, সেই কাৰণেই তেখেত সকলে দাবী কৰিছিল। মাদ্ৰাজতো তেনে ধৰণে পৃথক ৰাজ্যৰ দাবী আহিছিল আনকি ভাৰতবৰ্ষৰ পৰাই পৃথক হোৱাৰ কাৰণে উপক্ৰম হৈছিল কিন্তু পিচত সেইটো লাহে লাহে বাদ দিলে। থিক তেনেকৈ আমি আশা ৰাখো যদি আমি এই বড়ো জনজাতীয় ভাই সকলৰ অৰ্থনৈতিক সমস্যা সমাধান কৰিব পাৰো তেখেতসকলে তেতিয়া নিশ্চয় উদয়াচলৰ দাবী আৰু লৈ নথাকিব। সেইকাৰণেই আজি জনতা দলে আন আন সহযোগী দলৰ লগ লাগি বিশেষকৈ পি-টি-চিৰ লগ লাগি অসমৰ বিৰাট স্বাৰ্থৰ কাৰণে আগ বাঢ়ি আহিছে।

আজি এই কথাই প্ৰমান কৰে যে জনতা দলে অসমৰ বিভিন্ন জাতি উপজাতিৰ চৰকাৰ গঠন কৰিছে অসমৰসমূহ ৰাইজৰ সমৰ্থন আছিল আৰু সেইকাৰণে এই নিৰ্বাচনত জনতা দল বা জনতা দলৰ সহযোগী সমৰ্থক দলে সমৰ্থন জনাইছে আৰু তাঁত বেচিভাগ অসমৰ ভৈয়ামৰ অনুসূচিত সম্প্ৰদায়, ভৈয়ামৰ জনজাতি বা অসমৰ অন্যান্য সংখ্যালঘু সম্প্ৰদায়ৰ সকলোৰে জনতা পাৰ্টিক সমৰ্থন কৰিছে। এনেকুৱা এটা ব্যৱহাৰৰ দ্বাৰা যদি আমি আগবাঢ়িব পাৰো তেতিয়াহলে অসম আৰু খন্ড-খন্ড হোৱাৰ পৰা ৰক্ষা পৰিব। খাদ্যদ্ৰব্যৰ মূল্য বৃদ্ধিৰ ক্ষেত্ৰত মাননীয় দুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াই যিখিনি কৈ বহলাই আলোচনা কৰিছে, মই আৰু বহলাই কব নোখোজো। কিন্তু আজি যিটো অৱস্থা আমাৰ ৰাজ্যখনত হৈ গল সেইটো নহল হেতেন যদি আগৰ চৰকাৰে অনতিপলমে তাৰ এটা ব্যৱস্থা হাতত ললেহেতেন কিন্তু সময়ত ব্যৱস্থা নোলোৱাৰ কাৰণেই আজি বস্তুৰ দাম ইমান বৃদ্ধি হৈছে। যি সময়ত ভাৰতবৰ্ষৰ আন আন ঠাইত নিমখৰ দাম কম আছিল সেই সময়ত অসমত নিমখৰ দাম এটকাৰ ওপৰ হল কিয়নো সেই সময়ত অসমৰ বাহিৰে আন ঠাইত নিমখৰ বেপাৰ মুক্তকৈ ভাবে চলিছিল কিন্তু অসমত হে এজেন্সী খোলা হল আৰু সেই এজেন্সীৰ দ্বাৰা নিমখ অসমৰ বজাৰত ওলাল আৰু হয়তো সেই এজেন্সীৰ পৰা কংগ্ৰেছ দলে কিছু সহায় পাইছিল। আজি সেয়েই নিমখৰ দাম আৰু আন আন বস্তুৰ দাম ইমান বৃদ্ধিহৈছে ।

জৰুৰীকালিন অৱস্থাৰ কথা বহুতো মাননীয় সদস্যই কৈ গৈছে,বহুতো সদস্যই কৈছে যে কেনেকৈ ৰাজনৈতিক বন্দী সকলৰ ওপৰত জোৰ জুলুম হৈছিল আৰু নানা ধৰণৰ আতিশয্য আৰু অত্যাচাৰ হৈছিল কিন্তু সেইবিষয়ে ৰাজ্যপালৰ ভাষনত নথকাৰ কাৰণে দুখ প্ৰকাশ কৰিছে সেইটো মইয়ো স্বীকাৰ কৰো, তেখেত সকলে যি তদন্তৰ কথা কৈছে সেই তদন্তৰ ব্যৱস্থা কৰা হব আৰু যি সকল লোকক কোনোবা মন্ত্ৰীৰ আদেশত বা ওপৰৱালাৰ আদেশত কাৰাগাৰত ৰখা হৈছিল বা কাৰোবাক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল বা কাৰোবাক তললৈ নমাই দিয়া হৈছিল, সেই বিষয়ে ন্যায় বিচাৰ কৰা যাতে হয় তাৰ সুব্যৱস্থা কৰা হব।

(ভইচ :— সেই মন্ত্ৰী সকলৰ বিৰুদ্ধে কিবা ব্যৱস্থা হাতত লোৱা হব নে ?)

নিৰ্বাচনেই তেখেত সকলক ব্যৱস্থা দিছে। দুনীতিৰ কথা বহুত কোৱা হৈছে, গত নিৰ্বাচনৰ আগে আগে অসমৰ বনজ সম্পদ লুণ্ঠন কৰা হল, প্ৰাপ্য ৰয়েলিটিতকৈ কম ৰয়েলিটি লৈ তেখেত সকলে ধন সংগ্ৰহ কৰাৰ বহুতো অভিযোগ আহিছে। এতিয়া আমাৰ বন বিভাগৰ মন্ত্ৰীয়ে ওপৰঞ্চি কাঠ কাটিবলৈ বাধা কৰি দিছে সেই জন বন বিভাগৰ মন্ত্ৰীয়েই নিৰ্বাচনত পৰাজিত হৈছে আনকি তেওঁৰ চিকুৰিটিও ফৰফিট হৈছে।

সেই কাৰণে আমাৰ বনজ সম্পদ সম্পৰ্কীয় যি বিলাক খেলিমেলি সেই সময়ত হৈছিল সেই বিষয়ে এটা তদন্ত কৰিবলৈ দিয়া হব আৰু তাৰ উপযুক্ত ব্যৱস্থা নিশ্চয় লোৱা হব।

শিক্ষা : শিক্ষা এখন বিৰাট সমুদ্ৰ। সচাকৈয়ে মাননীয় মন্ত্ৰী ডাঙৰীয়া শ্ৰীলক্ষ্যধৰ চৌধুৰীক তেনে এখন বিৰাট সমুদ্ৰলৈ ঠেলি দিয়া হৈছে। তেখেত হায়ৰাণ হৈ গৈছে। কিন্তু এটা কথা ঠিক যে কিছুমান সিদ্ধান্ত ইতিমধ্যে শিক্ষাৰ ক্ষেত্ৰত লোৱা হৈছে। কিন্তু আমি এই সিদ্ধান্ত বিলাক ৰাজনীতিৰ হাতিয়াৰ হিচাবে ব্যৱহাৰ কৰিব নোখোজো। শিক্ষাৰ ক্ষেত্ৰত ৰাজনীতি হাতিয়াৰ হব নোৱাৰে। যেনেকৈ আগতে আমাৰ কৰবাত কৰবাত স্কুল বিলাকৰ মেনজিং কমিটি বিলাকত ভঙা মন্ত্ৰী আৰু হৰা এম-এল-এ সকল চেয়াৰম্যান বা সদস্য আছিল কিন্তু জনতা দলে শিক্ষাত এনেকুৱা বিলাক পৰিবেষ্টনীৰ পৰা মুক্তি দিয়াৰ ব্যৱস্থা কৰিব আৰু আগৰ দলীয় ভিত্তিত কোনো কমিটিৰ স্থিতি থাকিবলৈ দিয়া নহব।

নিয়োগৰ ক্ষেত্ৰত বহুত কথাই কোৱা হৈছে। মই এটা কথা দুকৈ ভাবিবলৈ অনুৰোধ কৰিম যদি আমাৰ দেশখনত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব পৰা যায় তেনেকৈ প্ৰত্যেক শিক্ষকে প্ৰাইমেৰী শিক্ষা দিব পাৰে তাৰ বাবে শিক্ষক প্ৰশিক্ষণ দিয়াই যথেষ্ট নহয় আৰু তাৰ দ্বাৰাই যে শিক্ষিতৰ সংখ্যা বৃদ্ধি হব তাৰ কোনো মানে নাই। ১৯৬১ চনৰ পৰা ১৯৭১ চনলৈ যি চেন্সাচ ৰিপোৰ্ট দাখিল কৰা হৈছে তাৰ পৰা দেখা যায় যে সাতাইশ হাজাৰ নিৰক্ষৰৰ সংখ্যা বাঢ়িছে আৰু ঠিক তেনেদৰে মাটিহীন মানুহৰ সংখ্যা পাঁচ কোটিলৈ বাঢ়িছে। আমাৰ ভাৰতবৰ্ষৰ যিটো অৰ্থনীতি কংগ্ৰেছ শাসনৰ যোৱা দীঘলীয়া ত্ৰিশ বছৰত চলি আছিল তাৰ ফলত দেখা গল যে এইখন দেশত আৱশ্যকীয় সাধাৰণ বস্তুতকৈ অলাগতিয়াল কিছুমান বস্তু বেচি উৎপাদন হয় যেনে যোৱা ৩০ বছৰৰ ভিতৰত ৰিফ্ৰেজাৰিটৰ আৰু কম এয়াৰ কুলাৰ সংখ্যা শতকৰা তিনিশ ভাগ বাঢ়িছে কিন্তু আজি সেই অৰ্থনীতি জনতা পাৰ্টিয়ে সলনি কৰিব বিছাৰিছে। শিক্ষাৰ ক্ষেত্ৰত দেখিছো যে আঢ়ৈ লাখ টকা খৰচ কৰি ডাক্তৰ একোজন তৈয়াৰ কৰা হয়। অথচ তাৰ আধা ডাক্তৰেই গৈ বৃটেইন, আমেৰিকা ইত্যাদিত কাম কৰি আছে। অথচ আমাৰ গাঁও বিলাকত ডাক্তৰ নাই। গতিকে আজি অৰ্থনীতি আৰু শিক্ষানীতি এই দুটাৰ মাজত

সমন্বয় স্থাপন কৰি আমি সমস্যা সমাধান কৰিব লাগিব। অৰ্থনীতি আগ বাঢ়িবলৈ হলে এই কথা খাটাং যে আমেৰিকা বা ৰুচিয়াৰ নিচিনাকৈ আমি কোনো আঁচনি গ্ৰহণ কৰাটো সহজ নহয় কিয়নো তেওঁলোক ধনী দেশ। তেওঁলোকৰ প্ৰতি বৰ্গমাইলত জনসংখ্যা কম আনহাতেদি আমাৰ ইয়াত প্ৰতি বৰ্গমাইলত জনসংখ্যা বেছি। তাৰ উপৰিও আমি যি কোনো ইজমকেই বিশ্বাস নকৰো কিয় যেনেকৈ চীন বৰ্ষতো গ্ৰাম্য অৰ্থ নীতিৰ কথাত পৃথকভাৱে চিন্তা কৰা প্ৰয়োজন হৈ পৰিছে। জনতা পাৰ্টিয়ে উদ্যোগৰ ক্ষেত্ৰত ক্ষুদ্ৰ শিল্প আৰু গাঁওৰ শিল্পৰ ওপৰত বেছিকৈ গুৰুত্ব দিয়াৰ কাৰণে অধিক চিন্তা কৰিছে যাতে ৰাজ্যখন পিচপৰা অৰ্থনীতিৰ বুনিয়াদ গাওঁতেই সৃষ্টি কৰিব পাৰি। আজি অসমত কৰ্ম্মসংস্থানৰ কথা কোৱা হৈছে কিন্তু কৰ্ম সংস্থান মানে কি বুজিব লাগিব? কেৱল অফিচৰ কেৰাণী মহৰি বা পিয়ন এইবিলাকেই অসমত বা ভাৰতবৰ্ষত কৰ্ম্মসংস্থান সমস্যা সমাধান কৰিব পাৰিব জানো? পশ্চিম বঙ্গত নিবনুৱা ভাট্টা পঞ্চাশ টকাকৈ দিয়াৰ কথা উল্লেখ কৰিছে আৰু সেই ভৱে অসমতো দিয়াৰ কথা কেইবাজনো মাননীয় সদস্যই উনুকিয়াইছে। তেনেকুৱা এটা ব্যৱস্থা ভবিষ্যতে আমাৰ ইয়াতো লোৱাৰ কাৰণে চিন্তা কৰা হব তাৰ কাৰণে তেনেকুৱা এলাউন্স দি গোটেই ৰাজ্যখনতে প্ৰাইমেৰী শিক্ষা গাঁৱে ভূঞে দৈ স্বেচ্ছাসেৱী অনুষ্ঠান হিচাবে হলেও কৰিব লাগিব। তেতিয়াহে শিক্ষাৰ প্ৰসাৰতা বাঢ়িব আৰু নিবনুৱা সমস্যাও কিছুপৰিমাণে সমাধান হব। আজি চাওক, এমপ্লয়মেণ্ট পটেনচিয়েলিটি কেনে ধৰণে নিদ্ধাৰণ হৈছে। দেৰ-লাখ টকা খৰচ কৰি এটা বিফাইনাৰী কৰাৰ পিচত তাৰ মাত্ৰ সাতশ পঞ্চাশ জন মানুহক হে চাকৰি দিব পৰা হয় তাকো টেকনিকেল নোহোৱা থকা মানুহ আমাৰ ইয়াত পৰবলৈ নাই আৰু পাঁচশ টকাৰ তলত চাকৰিৰ কাৰণে থলুৱা আৰু অ-থলুৱাৰ মাজত হাহাকাৰৰ সৃষ্টি হব। গতিকে ইয়াৰ দ্বাৰা এই বিৰাট নিবনুৱা সমস্যা সমাধন কৰা সম্ভৱ নহয়। অৱশ্যে মই বৃহত উদ্যোগৰ বিৰুদ্ধে কবলৈ যোৱা নাই। এইদৰে আমি প্ৰাইমেৰী শিক্ষাৰ জৰিয়তে প্ৰাইমেৰী শিক্ষক সকলৰ এটা বিৰাট সেনা বাহিনীত নিয়োগ কৰি গাওঁৰ ভিতৰে বাহিৰে যিবিলাক সৰু সুৱা উদ্যোগ গঢ়াৰ সম্ভৱ আছে তাঁত কামত নিয়োগ কৰিব পৰা হব। দেশ গঠনৰ নামত এই যুৱকসকল ভলেণ্টিয়াৰি আগবাঢ়ি অহাৰ উতসাহ পাব আৰু তাৰ দ্বাৰা নিবনুৱা সমস্যা কিছুপৰিমানে লঘৰ হব। তেনেকুৱা এখন দীঘলীয়া আঁচনিৰ কথাহে আমাৰ জনতা পাৰ্টিয়ে চিন্তা কৰিছে আৰু আমি ভাবো যে দহ বছৰৰ ভিতৰত আমি নিয়োগৰ ক্ষেত্ৰত কিছু পৰিমাণে হলেও কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিৰ লক্ষ্যত উপনীত হব পাৰিম।

অধ্যক্ষ মহোদয়, সদনত বন্ধুবৰ সকলো সদস্যই ইৰিগেচন পি দব্লিউ দি, স্কুল কলেজ বিভিন্ন ক্ষেত্ৰত বহুতো অসুবিধা হৈ থকাৰ কথা কৈছে। এই সকলোবিলাক অসুবিধাৰ কথা আমি চৰকাৰৰ তৰফৰ পৰা মানি লৈছো কিন্তু যিটো অৱস্থাত আমি চৰকাৰখন বহিছো আগৰ চৰকাৰ গ'লমাত্ৰ আৰু নতুন চৰকাৰ আহিছে ৰাজ্যপালৰ ভাষণত আগৰ বিৱৰণ দিবলগা হৈছে আৰু বৰ্ত্তমান কি কাম কৰিবলৈ ওলাইছো তাৰো বিৱৰণ দিবলগা হৈছে। বাজেট ভোট অন একাউণ্ট ব্যৱস্থাৰে উৎথাপন কৰা হ'ল যদিও পৰিকল্পনাৰ সকলো কথা অহা বছৰলৈহে কব পৰা সম্ভৱ হব। যোৱা বছৰতো কেন্দ্ৰীয় চৰকাৰে যেতিয়া বাজেট উৎথাপন কৰিছিল তেতিয়া কৈছিল যে এয়া আগৰ চৰকাৰৰ মোচিনাৰীয়ে কৰা বাজেট ঠিক তেনেকৈ আমিও কব লাগিব। ৰাজ্যপালৰ ভাষণৰ যোগেদি এনে বহুত কথাই কবলগিছিল কিন্তু যিবিলাক কথাৰ দ্বাৰা ৰাজ্যপালজনক হেয়প্ৰতিপন্ন কৰা হব। জৰুৰীকালিন অৱস্থাত যিবিলাক অত্যাচাৰ এইপ্ৰশাসন যন্ত্ৰৰ দ্বাৰা কৰোৱা হৈছিল সেইসকলেবিলাকৰ আমিও ভূক্তভোগী। আমি আশা কৰিছো আপোনাক সকলোৱে সহযোগত আপোনালোকে উল্লেখ কৰা বা ইঙ্গিত দিয়া সকলো দোষত্ৰুটিকে দূৰ কৰিব পাৰিম।

ভূমি সমস্যাৰ কথা সকলো সদস্যই কৈছে। অসমত ভূমি সমস্যাটো এটা বিৰাত খেলিমেলি হৈ আছে। প্ৰশাসন যন্ত্ৰই বহুত অংকই দিছে কিন্তু সেইবিলাক কিমান শুদ্ধ চাব লাগিব। বিঘাৰ কথা নুবুজোতে একৰ হেক্টৰৰ কথা আমিয়ে নুবুজো ৰাইজে কি বুজিব। কিন্তু এটা কথা ঠিক অসমৰ ভূমি ব্যৱস্থা বিৰাট খেলিমেলি। যোৱাবছৰ কিছুমান ঠাইত মাটি বিতৰণ কৰা হ'ল কিন্তু তাত দেখিছো ৬ বিঘাকৈ মাটি দিয়া হৈছে কোনোবা মুখ্যমন্ত্ৰীৰ চহীৰ সৈতে, মাটিৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ চহী আৰু মাটিৰ পট্টা কোনটো আইন সংগত কৰ নোৱাৰো। ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰীয়ে ১০ টকীয়া ১০০ টকীয়া নোটত যদি চহীও কৰি দিয়ে তেনেহলে ৰিজাৰ্ভ বেংকে নিশ্চয় টেণ্ডাৰ নহব। এনেকুৱা চহী বহুত ঠাইতে দেখিছো কিন্তু মাটি হলে নাপালে। বিভিন্ন বক্তাই এইকথাটোৰ উল্লেখ কৰিছে। মোৰ বোধেৰে ইয়াৰ দ্বাৰা খেতিয়ক ৰাইজৰ মাজত সংঘৰ্ষৰহে সৃষ্টি কৰা হৈছে। এঠাইত কোনোবা মানুহক ৰিজাৰ্ভ খুলি ৬ বিঘা মাটি হৈছে কিন্তু মাটি পাব লাগে ৯ আকৌ কিছুমান মানুহক তালৈ নি ৩ বিঘাকৈ দিয়া হৈছে। ৬ বিঘাই কম তাতে আকৌ কিছুমানক ৩ বিঘাকৈ দিয়া হৈছে গতিকে দুয়োটা শ্ৰেণীৰ মাজত সংঘৰ্ষ হব। গতিকে এইবিলাক কথা বিশ্লেষণ কৰি চাব লাগিব। তাৰ কাৰণে এটা কমিটি গঠণ কৰি দি মাটিৰ ক্ষেত্ৰত বিভিন্ন যিবিলাক আইন আছে- যেনে চিলিং আইন ১৫০ বিঘাৰ পৰা ৭৫ বিঘা কৰোতে কিমান মাটি পালে আৰু ৭৫ বিঘাৰ পৰা ৫০ বিঘা কৰোতে কিমান মাটি ওলাল এই হিচাববিলাক কৰি চাব লাগিব, চাহবাগিছাৰ কিমান মাটি ওলাইছে ইয়াৰ প্ৰকৃত হিচাব আৰু যিবিলাক পুৰনীকলীয়া আইন আছে সেইবিলাকৰ দৰ্কাৰ হলে সংশোধন কৰিব লাগিব। এই ব্যৱস্থাবিলাক সোনকালে নকৰিলে মাটি বিতৰণৰ গোটেই বিষয়টো ব্ৰাস্তিং পইণ্টত আছে। বিভিন্ন সম্প্ৰদায়ৰ মাজত যিকোনো সময়তে সংঘৰ্ষ হব পৰা অৱস্থাত আছে। আমি গাঁও অঞ্চলত ঘূৰিফুৰি যি দেখিছো ভূমি সংস্কাৰৰ ক্ষেত্ৰতেই এই গোটেই কথাখিনি অধ্যয়ন কৰি সোনকালে ব্যৱস্থা নহলে মাটিৰ সমস্যা সমাধান নহয়। এই কথা মই মুখ্যমন্ত্ৰী হিচাবে নিজে অনুভব কৰিছো আৰু সকলো সদস্যই নিশ্চয় অনুভব কৰিছে। গতিকে এই সমস্যাটো অতি সোনকালে সমাধান কৰিবলৈ চেষ্টা কৰিম বুলি আশ্বাস দিলো।

(ভইচ্চে—৬ বিঘা আৰু ৩ বিঘা দিয়াৰ কথাযে কলে সেইটো বৰ্ত্তমান ষ্টেটাচকো মেইনটেন হৈ থাকিব লাগে)

ভূমিৰ লগতে কৃষি উন্নতিৰ কথাও অঙ্গাঙ্গী। কৃষি আৰু জলসিঞ্চনৰ ক্ষেত্ৰতো অসম ৰাজ্যখন বহুত পিচপৰি আছে। আজি কিছুদিন আগতে লোকসভাৰ উপনিৰ্ব্বাচনত বৰপেটালৈ গৈছেলো নিৰ্ব্বাচনি অভিযানত কেন্দ্ৰীয় চৰকাৰৰ লিডাৰ এজনৰ লগত-তেতিয়া খবালী। তেখেতে সুধিলে এই মাটিবিলাক চন পৰি আছে কিয়? তেতিয়া মই কৈছিলো জলসিঞ্চনৰ ব্যৱস্থা নাই, ব্ৰহ্মপুত্ৰও ভেতিৰ নোৱাৰি কি কৰা যায়। তেখেতে কলে ব্ৰহ্মপুত্ৰ ইমান ওচৰতে আছে পাম্পিং বা দিপ টিউবৱেলৰ ব্যৱস্থা কৰিব নোৱাৰি নেকি? গতিকে এইবিলাক কথাও চিন্তা কৰিব লাগিব। কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ আৰু লগতে জলসিঞ্চন ব্যৱস্থা কৰিবলৈ বিশেষকৈ ক্ষুদ্ৰ জলসিঞ্চন আঁচনি বিলাক কাৰ্য্যকৰী কৰিবলৈ বিশেষভাৱে চেষ্টা কৰিম।

'মিছা' আদিৰ কথা কোৱা হৈছে। সুখৰ কথা জনতা দল এটা গণতান্ত্ৰিক দল। এই দলটোক কোনোবা কোনোবাই হয়তো সংশোধিত আকাৰত তাক ৰাখি থোৱাৰ কথা চিন্তা কৰিছিল কিন্তু অধ্যক্ষ মহোদয়, আপুনি জানে ইতিমধ্যে সেই বিষয়ে সিধান্ত হৈছে আৰু যাতে কোনো ৰকমৰ প্ৰিভেণ্টিভ ক্লজ নাথাকে তাৰ সিধান্ত লোৱা হৈছে।

সংখ্যা লঘু সকলৰ কথা কেইবাজনো সদস্যই কৈছে আৰু সংৰক্ষণৰ কথাও কৈছে। এই সকলোবিলাকৰ প্ৰতি আমাৰ নজৰ থাকিব পিচপৰা সম্প্ৰদায়ৰ চাকৰি বাকৰিৰ ক্ষেত্ৰত উচিত ৰিপ্ৰেজেণ্টেটিভ পাই আৰু শিক্ষা দীক্ষা পাই। আৰু এটা কথা যে আমাৰ যি কাৰ্য্য ক্ৰমেই নহওক লাগে এটা নিকা প্ৰশাসন ব্যৱস্থা যদি নহয় তেন্তে আমি কত কাৰ্য্য হব নোৱাৰিম। এই কথা জনতা দলে শপত লোৱাৰ দিনাই বিষয়া সকলক আমি কৈছো। আমি তেওলোকক কৈছো যে আমি তেওলোকক শত্ৰু বুলি ধৰা নাই। তেওঁলোকৰ ভিতৰতো ভাল মানুহ আছে, আমি তেওঁলোকক সকলোকে ভাল মানুহ বুলি ধৰি লৈছো। কোনোবাই যদি অন্যায় কৰিছিল সেই সম্পৰ্কে উচিত প্ৰমান পালে নিশ্চয় উচিত ব্যৱস্থা লোৱা হব। তাৰ কাৰণে যে প্ৰত্যেকজন বিষয়া আৰু কৰ্ম্মচাৰী বেয়া মানুহ ৰাজনীতিবিদ সকলহে যে ভাল মানুহ সেইটো আমি কব খোজা নাই। ৰাজনৈতিক ক্ষেত্ৰত ডাঃ ৰাম মনোহৰ লোহীয়া এটা কথা কৈছিল যে দেশৰ পাপ চক্ৰ গঢ়ি উঠে নেতা, বিষয়া আৰু ব্যৱসায়ী এই তিনিটাক লৈ। এই তিনিটাৰ মূল নেতা যদি শুদ্ধ থাকে তেন্তে বিষয়া কৰাপটেড হব নোৱাৰে। নেতা আৰু বিষয়া এই দুটা যদি শুদ্ধ থাকে তেতিয়া বেপাৰীয়ে প্ৰভাব পেলাব নোৱাৰে। গতিকে মই আপোনা-সকলৰ ওচৰত কব খোজো যে জনতা চৰকাৰৰ প্ৰত্যেক মন্ত্ৰী, এম, এল, এ, প্ৰত্যেকেই দোষ মুক্ত হোৱা উচিত।

গতিকে বন্ধুসকল প্ৰশাসন নিকা হোৱাৰ প্ৰশ্নটো বিশেষকৈ নিৰ্ভৰ কৰিব মাননীয় সদস্যসকল কেনেকৈ নিকা হৈ থাকে তাৰ ওপৰত। বিষয়া, কৰ্ম্মচাৰী সকল যদি নিকা নহয় তেন্তে নিশ্চয় তাৰ ব্যৱস্থা লব লাগিব। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি গোটেই মাননীয় সদস্য সকলক নিবেদন কৰিছো যাতে সকলোৰে সহযোগিতাৰে কাম কৰাত আমাক সহায় কৰে আৰু সংশোধনী যি কেইটা প্ৰস্তাৱ আনিছে সেই কেইটা উঠাই লবলৈ মই তেখেত সকলক অনুৰোধ কৰিছো।

শ্ৰীফণী মেধীঃ—অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো, ৰোমাণ লিপিৰ সংক্ৰান্তত যিবিলাক কেচ বিশেষকৈ গোসাঁইগাঁওত যিবিলাক কেচ আছিল সেইবিলাক উঠাই লোৱা হব নেকি?

শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্য মন্ত্ৰী)ঃ—অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত এনেধৰণৰ নিষ্পত্তি নোহোৱা মোকৰ্দমা অনেক ঠাইত চলি আছে। ডিব্ৰুগড়ৰ কাচাৰিত ৰেল ধৰ্মঘটৰ সময়ত গোলাপ বৰবৰাক ডকাইটি বুলি দিয়া এটা কেচ আজিও মোৰ ওপৰত চলি আছে। এই সকলোবোৰ বিভিন্ন আন্দোলনৰ সময়ত আন্দোলনকাৰীৰ ওপৰত হোৱা অত্যাচাৰৰ বিবেচনা কৰি শীঘ্ৰে ব্যৱস্থা লবলৈ সিদ্ধান্ত লম।

শ্ৰীৰণেণ বসুমতাৰীঃ মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰীৰ ভাষণৰ বাবে তেখেতক ধন্যবাদ জনাইছো, কাৰণ তেখেতে সকলো শ্ৰেণীৰ ৰাইজৰ কাৰণে কাম কৰিম বুলি আমাক আশ্বাস দিছে। বিশেষকৈ জনজাতি সকলৰ কাৰণে যিবিলাক কাম কৰিব খোজা হৈছে, সেইটোত আমি ভাল পাইছো। ভৈয়ামৰ জন জাতিসকলৰ এজন সদস্য মন্ত্ৰী সভাৰ অন্তৰ্ভুক্ত কৰাত তেখেতক মই স্বাগতম জনাইছো। মই এটা কথা জানিব বিচাৰিছো যে সদনৰ বাহিৰে ভিতৰে এটা কথা ওলাইছে যে ভৈয়ামৰ জনজাতি সকলে এখন বেলেগ ৰাজ্যৰ দাবী তুলিছে। সেইটো যে উঠাই লোৱা হৈছে কেৱল এই চৰকাৰৰ দিনৰ বাবেহে নে চিৰদিনৰ বাবে সেইটো মই জানিব বিচাৰিছো।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী)ঃ—সেইবিষয়ে মই আগতেই কৈছো।

শ্ৰীএ, এন আক্ৰাম হুচেইন ঃ—অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। আমি মুখ্যমন্ত্ৰী মহোদয়ৰ ভাষণ শুনিব সুখী হৈছো। কিন্তু আমাৰ সময় আছিল পাঁচটালৈ কিন্তু এতিয়া পাঁচ বাজি পোন্ধৰ মিনিট হৈ গল। তথাপি এটা কথাৰ স্পষ্টীকৰণ বিচাৰিছো।

(১) নম্বৰ কথা হল দশম শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা ব্যৱস্থা কৰাত মই সন্তোষ পাইছো। মোৰ প্ৰশ্ন হল প্ৰাথমিক স্কুলৰ ছাত্ৰ সকলক দুপৰীয়াৰ আহাৰ যোগোৱা হব নে কি?

(২) দশম মানলৈকে ছাত্ৰক কিতাপ যোগোৱাৰ ব্যৱস্থা হব নে কি আৰু শিক্ষক সকলৰ লৰা-ছোৱালীক বিশ্ববিদ্যালয় তৰফলৈকে বিনামূলীয়া শিক্ষাদান আৰু কিতাপ আদিৰ যোগান ধৰাৰ কথাটো চৰকাৰে বিবেচনা কৰিব চাবনে কি?

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ঃ অধ্যক্ষ মহোদয়, আমাৰ জনজাতীয় পৰিষদে উদয়াচলৰ বাবে যি দাবী, সেই দাবী এৰি দিয়া হল বুলি ধৰিব লম নে কি?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, ভৈয়ামৰ জনজাতীয় লোক সকলৰ দাবীৰ সম্পৰ্কত যিটো সন্দেহ মানুহৰ মনত জাগিছে জনতা চৰকাৰে নিশ্চয় সেই সন্দেহ গুচাবলৈ চেষ্টা কৰিব। আনহাতে, অাক্ৰাম ডাঙৰীয়াই যি কেইটা প্ৰশ্ন কৰিছে সেই সম্পৰ্কত মই কওঁ যে এতিয়ালৈকে আমি যি প্ৰতিশ্ৰুতি দিছো তাতকৈ অধিক প্ৰতিশ্ৰুতি দি পিচত একো কৰিব নোৱাৰাতকৈ আৰম্ভণীতে যিখিনি কৰিব পাৰো তাকেই সমাধা কৰাৰ কথাটোহে ভাবিছো।

Mr. SPEAKER—About the extension of time beyond 5 p. m., hon members may refer to Rule 11. The priviso of Rule 11 says, "Pro. vided further that the Speaker may, in his discretion, according to the exigencies of the Business, adjourn earlier or extend the hour of sitting." Therefore, it is the discretion of the Speaker to extend the sitting of the House to such time as required to dispose of the day,s business.

শ্ৰীপ্ৰেম ধৰ বৰা ঃ আমি কেইটালৈকে বহিব লাগিব এইটো কথা কব লাগে।

শ্ৰীচামচুল হুদা ঃ কিমান সময় বহিব সেইটো কব লাগে।

Mr SPEAKER—We shall sit upto 5.45 p. m.

শ্ৰীনগেন শৰ্মা ঃ—মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—মই মহামান্য শব্দটোত আপত্তি জনাইছো।

Shri GIASUDDIN AHMED—A point of order regarding extension of time. We bow down to your ruling, Sir. But the House should know till what time we will be required to sit.

Mr. SPEAKER—I have already said that we shall be sitting till 5.45 p. m. at the latest.

শ্ৰীনগেন শৰ্ম্মা ঃ মই মহামান্য বুলি নকৈ মাননীয় বুলি কৈছো। মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছিলো তাৰ ওপৰত যথেষ্ঠ সংখ্যক অংশগ্ৰহণ কৰিছে আৰু সংশোধণীও দাঙি ধৰিছে। মন্ত্ৰী সকলেও উত্তৰ দিছে সেইকাৰণে মই সকলোকে ওলগ জনাইছো আৰু ধন্যবাদ জনাইছো। তথাপি মই মোৰ মনৰ ভাব ব্যক্ত কৰি সংশোধণী প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিম। ৰাজ্যপালৰ ভাষণৰ সমালোচনা আগবঢ়াই প্ৰাক্তন মুখ্যমন্ত্ৰী সিংহ ডাঙৰীয়াই কটু সমালোচনা কৰিছিল। সচা কথা তেখেতৰ সমালোচনা তেখেতৰ দৃষ্টিভংগীত নিশ্চয় সত্য। কিন্তু তেখেতৰ দৃষ্টিভংগী আমাৰ মনত অসোভণীয় আছিল। তেখেতে আগৰ বাৰৰ যি চৰকাৰৰ নেতৃত্ব দিছিল সেই চৰকাৰক সমালোচনা কৰিলে তেখেতে সহ্য কৰিব নোৱাৰাটো সচা কথা। সেইকাৰণে আমি সমালোচনা বিলাক নীতি বহিৰ্ভূত বুলি ভাবিছো। দ্বিতীয়তে মই তেখেতক এটা কথা সোৱৰাই দিব খুজিছো যেতিয়া তেখেত এ,পি,চি,চি, ৰ চেয়াৰম্যান আছিল তেতিয়া তেখেতে বিৰোধী দলৰ লগ লাগি কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে ধৰ্ণা দিছিল। এনে এজন বিপ্লৱী নেতাই যেতিয়া ৬ বছৰ ইন্দিৰা গান্ধীৰ পিঞ্জৰাত আবদ্ধ হৈ থাকিল সেইকাৰণে তেখেতে সমালোচনা সহ্য কৰিব নোৱাৰিলে। তেখেতে যাতে নতুন পৰিস্হিতিত আৰু যি নতুন পৰিৱেশতৰ লগত মিলাই লব আৰু সুস্হিৰ গণতন্ত্ৰৰ পৰাম্পৰা ৰক্ষা কৰি সমালোচনাৰ মাজেৰে দেশৰ যাতে কল্যাণ সাধিব পাৰে জনসাধাৰণৰ মঙ্গল সাধন কৰিব পাৰে সেইটো মই তেখেতৰ পৰা আশা কৰিছো। দ্বিতীয়তে আমাৰ ইয়াত তেনেকুৱা প্ৰতিশ্ৰুতি নাই। প্ৰতিশ্ৰুতি সম্বন্ধে শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই অনেক কথাই কৈছে। সেই প্ৰতিশ্ৰুতি কিয় ইয়াত নাই সেইটো স্পষ্ট ভাৱেই কৈছে। যিকেইটা প্ৰতিশ্ৰুতি দিছে সেইকেইটা অন্ততঃ পালন কৰিব পাৰিম বুলিয়ে দৃঢ় বিশ্বাস ৰাখিছে। সেইকাৰণে আমি এই প্ৰতিশ্ৰুতি কেইটাত বিশ্বাস কৰিছো। আনহাতে যিসকল সদস্যইসংশোধনী প্ৰস্তাৱ আগবঢ়াইছে সেইসকলে সংশোধনীৰ দ্বাৰাই আমাক যথেষ্ঠ সুষ্ঠিৰ পৰামৰ্শ দিছে। মই সকলোকে ধন্যবাদ জনাইছো আৰু তেখেতসকলৰ প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰি মই সামৰণী মাৰিলো।

Mr. SPEAKER—Now, there are six amendments. Shall I put to vote? (voices—we withdraw our amendment)

Shri GIASUDDIN AHMED—I do not press for my amendment.

Shri Md. IDRIS—I press for it.

Shri KHAGEN BARBARUAH—Sir, I do not press.

Shri NARENDRA NATH DUTTA—I, on behalf of CPI(M), say, Sir, though we cannot agree to all the points but taking into consideration the assurances of the Leader of the House and the assurances given to the House and to the people of Assam for the fulfilment of different problems in the sphere of agriculture, flood control, employment, etc., we conditionally withdraw our amendment.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আৰু বিভিন্ন বিভাগৰ মন্ত্ৰী মহোদয় সকলে সমস্যা সমাধান কৰা হব বুলি যি ধৰণে আশ্বাস দিছে আৰু বিশেষকৈ আমাৰ সদনত মন্ত্ৰী সকলে অন্তত নিকা হৈ থাকিব বুলি সাহসেৰে সৈতে কৈছে, সেই সাহসিকতাপূৰ্ণ কথা কোৱাৰ পিচত আমাৰ এই এমেন্দমেন্টটো উঠাই লৈছো।

Shri DEWAN JAINAL ABEDIN—Mr, Speaker Sir, with the hope to the problems raised by us from the side of SUCI party that the present government will give due consideration. I withdraw The amendment to the motion of thanks.

Mr. SPEAKER—Now with regard to the amendment Nos. 2, 3, 4, 5 and 6 to the motion of thanks Is it the pleasure of the House to allow the members to withdraw the amendments ?

( voices : yes, yes )

Amendments are withdrawn.

Now, amendment No. 1.

"That at the end of the Motion of thanks moved by Shri NAGEN SARMA, M. L. A. on the Governor's address, the following be added:—

But regrets that the Governor's address has failed to mention and provide solution of the basic problems of the people of the State."

( Amendment is lost on voice vote )

Now, I put the motion of thanks moved by the honourable member Shri NAGEN SARMA.

"That the Members of the Assam Legislative Assemely assembled in this Session are grateful to the Governor for the address he has been pleased to deliver to the House to-day, the 21st March, 1978."

( The motion is adopted )

## ADJOURNMENT

The House then More at 5.33 p. m. and stood adjournment till 9. A.M. on Friday, the 31st March, 1978.

Dated Dispur:
The 30th March, 1978.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP. (L.A.) No. 1024/78—1,250—28-6-79.